सत्यमेव जयते

অসম চৰকাৰ

# অসমৰ মাননীয় ৰাজ্যপাল

# শ্ৰীলক্ষ্মণ প্ৰসাদ আচাৰ্যৰ

# ভাষণ

## ১৫তম অসম বিধান সভাৰ

## বাজেট অধিৱেশন, ২০২৫ ৰ

## প্ৰথম দিন

তাৰিখ: ১৭ ফেব্ৰুৱাৰী, ২০২৫

স্থান

বিটিচি বিধান সভা, কোকৰাঝাৰ

অসম বিধানসভাৰ মাননীয় অধ্যক্ষ মহোদয়।

মাননীয় মুখ্যমন্ত্ৰী, অসম।

মন্ত্ৰী পৰিষদৰ সদস্যসকল।

অসম বিধানসভাৰ সদস্যসকল।

এই পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকল,

অসম বিধানসভাৰ বাজেট অধিৱেশন ২০২৫ উপলক্ষে অত্যন্ত সন্মান আৰু বিনম্ৰতাৰে মই আপোনালোকক সম্বোধন কৰিব বিচাৰিছো। আপোনালোক সকলোকে মই মোৰ আন্তৰিক ওলগ আৰু শুভেচ্ছা জনাইছোঁ। এই অধিৱেশনখন আমাৰ যাত্ৰা প্ৰতিফলিত কৰাৰ, প্ৰত্যাহ্বানসমূহ আলোচনা কৰাৰ আৰু আমাৰ মৰমৰ ৰাজ্যখনৰ ভৱিষ্যতৰ বাবে এক দূৰদৰ্শী ভৱিষ্যৎ কাৰ্য্যপন্থা প্ৰস্তুত কৰাৰ সুযোগ হিচাপে চিহ্নিত হ'ব।

**"सं गच्छध्वं सं वदध्वं सं वो मनांसि जानताम् |**

**देवा भागं यथा पूर्वे संजानाना उपासते ||"**

**"Saṁ gacchadhvaṁ saṁ vadadhvaṁ saṁ vo manāṁsi jānatām |**
**Devā bhāgaṁ yathā pūrve saṁjānānā upāsate ||"**

অনুবাদ : "একেলগে খোজ কাঢ়ক, একেলগে কথা পাতক,
আপোনালোকৰ মনবোৰ সমন্বিত হওক, ঠিক যেনেকৈ
দেৱতাসকল নিজৰ উদ্দেশ্যত একত্রিত হৈছিল।"

অথর্ববেদৰ এই উদ্ধৃতি (৭.৫২.২) গণতন্ত্ৰৰ আদৰ্শক নিখুঁতভাৱে প্রতিফলিত কৰি সামূহিক ঐক্য আৰু সহযোগিতাৰ এক সুন্দৰ প্ৰকাশ-য'ত শাসন ব্যৱস্থাৰ মূলতে আছে সামূহিক উদ্দেশ্য, সমন্বয় আৰু আমাৰ চৰকাৰৰ লক্ষ্য হিচাপে সকলো নাগৰিকৰ সামূহিক কল্যাণ সাধন।

অসমৰ ৰাইজে আমাৰ ওপৰত যি অদম্য আস্থা আৰু বিশ্বাস ৰাখিছে, তাৰ বাবে মোৰ চৰকাৰ ৰাজ্যখনক সম্প্ৰীতি, প্ৰগতি আৰু সমৃদ্ধিৰ দিশত আগুৱাই নিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। মোৰ বিশ্বাস যে এই অধিৱেশনত হোৱা আলোচনা-বিলোচনা আৰু সিদ্ধান্তই অসমক এখন সজীৱ, সৰ্বাংগীণ আৰু অগ্ৰগামী ৰাজ্যলৈ ৰূপান্তৰিত কৰাৰ ভেটি অধিক শক্তিশালী কৰিব, যিয়ে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব।

অসম সদায় এখন মহানতা, প্ৰজ্ঞা আৰু সাহসৰ ৰাজ্য। পুৰাণকে ধৰি আমাৰ প্ৰাচীন শাস্ত্ৰসমূহে ভাৰতবৰ্ষৰ ইতিহাসত থকা ইয়াৰ গভীৰ শিপাৰ কথাকে কৈছে। কামৰূপ আৰু প্ৰাগজ্যোতিষপুৰৰ নিচিনা শক্তিশালী ৰাজ্যসমূহে আমাৰ

সভ্যতাক গঢ় দিছিল, আনহাতে কোচ আৰু আহোম বংশই আমাৰ ঐতিহ্যক সমৃদ্ধ কৰিছিল। মা কামাখ্যাৰ আশীৰ্বাদৰ পৰা আৰম্ভ কৰি শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ আধ্যাত্মিক পথ-প্ৰদৰ্শনেৰে অসম হৈছে শক্তি আৰু সংস্কৃতিৰ এক আলোকস্তম্ভ স্বৰূপ। লাচিত বৰফুকনৰ বীৰত্বই আমাৰ ভূমি সুৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত থকা আমাৰ কৰ্তব্যৰ বিষয়ে আমাক সোঁৱৰাই দিয়ে।

আজি আমাৰ চৰকাৰে এই হেৰোৱা গৌৰৱক পুনৰুজ্জীৱিত কৰি আমাৰ অতীতক সন্মান জনোৱা এক ভৱিষ্যৎ গঢ়ি তোলাৰ অৰ্থে কাম কৰি আছে। অসমে আজি গৌৰৱেৰে দেশৰ বাকী অংশৰ লগতে বিশ্বৰ সৈতে সংযোগ স্থাপন কৰিছে। শক্তিশালী আন্তঃগাঁথনি, উন্নত উদ্যোগ স্থাপন আৰু নতুন সুযোগৰ জৰিয়তে প্ৰতিজন নাগৰিকে এই বিকাশত অংশগ্ৰহণ কৰাটো আমি সুনিশ্চিত কৰিব বিছাৰিছোঁ। আমাৰ চহকী পৰম্পৰাই আমাক অনুপ্ৰাণিত কৰে, কিন্তু আমাৰ দৃষ্টিভংগী আধুনিক। আমি এনে এখন ৰাজ্য গঢ়িব বিচাৰিছো, যিয়ে ইতিহাসক প্ৰগতিৰ সৈতে মিহলাই সকলোৰে মৰ্যাদা আৰু সমৃদ্ধি সুনিশ্চিত কৰে।

সন্মানীয় সদস্যসকল,

এই পটভূমি মনত ৰাখি চৰকাৰৰ কেতবোৰ মাইলৰ খুঁটি তথা শেহতীয়া সাফল্যৰ ওপৰত মই আলোকপাত কৰিব বিচাৰিছোঁ।

**জি এচ্ ডি পি আৰু অসমৰ অৰ্থনৈতিক বিকাশঃ-**

- বিগত দশকটোত ৰাজ্যখনে অৰ্থনৈতিক বিকাশৰ এক স্থিৰ পথেৰে আগবাঢ়িছে, য'ত ৰাজ্যখনে ১২.৬%ৰ আকৰ্ষণীয় যৌগিক বাৰ্ষিক বৃদ্ধিৰ হাৰ (CAGR) লাভ কৰিছে।২০২২-২৩ বিত্তীয় বৰ্ষত কৰ ৰাজহ ২৫% আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত ১৫% বৃদ্ধিৰ ফলত এই ভেটিটো আৰু অধিক শক্তিশালী হৈছে।
- অধিক পদ্ধতিগত আৰু বহনক্ষম অৰ্থনৈতিক প্ৰগতি নিশ্চিত কৰিবলৈ ৰাজ্যখনে এক গুৰুত্বপূৰ্ণ পদ্ধতি (a bottom-up approach) ব্যৱহাৰ কৰি প্ৰতিখন জিলাৰ বাবে জিলা ঘৰুৱা উৎপাদিত সামগ্ৰী (ডিডিপি) প্ৰাককলনৰ অৰ্থে এক অভিনৱ আৰু অগ্ৰণী পদক্ষেপ আৰম্ভ কৰিছে। জিলা ঘৰুৱা উৎপাদন প্ৰাককলন আৰু অসমৰ জিলা দৃষ্টিভংগী নথিপত্ৰ প্ৰকল্পৰ অংশ হিচাপে গ্ৰহণ কৰা এই প্ৰয়াস হৈছে দেশৰ যিকোনো ৰাজ্যই গ্ৰহণ কৰা প্ৰথম প্ৰচেষ্টা। এই ব্যাপক কাৰ্যব্যৱস্থাৰ

ফলাফল ২০২৫-২৬ বিত্তীয় বৰ্ষৰ চতুৰ্থ ত্ৰৈমাসিকৰ ভিতৰত উপলব্ধ হ'ব।

- ৰাজ্যৰ আয় বৃদ্ধিয়ে সমগ্ৰ অসমৰ অৰ্থনৈতিক বিকাশত এক ইতিবাচক প্ৰভাৱ পেলাইছে। ইয়াৰ সঁহাৰি স্বৰূপে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সামগ্ৰিক নিৰ্দেশনাত কেবিনেট মন্ত্ৰীসকলৰ নেতৃত্বত সকলো বিভাগে ঘনিষ্ঠ সমন্বয়ৰে বৰ্তমানৰ বিকাশৰ হাৰ অটুট ৰখাৰ লগতে ইয়াক আৰু অধিক ত্বৰান্বিত কৰাৰ বাবে কাম কৰি আছে।
- বহনক্ষম উন্নয়নৰ লক্ষ্য (এছডিজি)ৰ প্ৰতি অসমৰ দায়বদ্ধতাক ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি দিয়া হৈছে৷ ৰাজ্যখনে এছডিজি ইণ্ডিয়া সূচাংকত "ফ্ৰন্ট ৰানাৰ" মৰ্যাদালৈ আগবাঢ়িছে আৰু ৭ নং লক্ষ্যত (স্বচ্ছ শক্তি) ১০০% নম্বৰ লাভ কৰিছে।

**অসমঃ ভাৰতৰ অৰ্ধপৰিবাহী আৰু ঔদ্যোগিক বিপ্লৱৰ নেতৃত্ব বহনকাৰীঃ**

- গুজৰাটৰ সমান্তৰালকৈ ভাৰতৰ অৰ্ধপৰিবাহী উদ্যোগৰ এক গুৰুত্বপূৰ্ণ ৰাজ্য হিচাপে অসমৰ দ্ৰুতগতিত উত্থান ঘটিছে। জাগীৰোডত স্থাপন কৰিবলৈ লোৱা ২৭,০০০ কোটি টকাৰ টাটা এ টি এম পি(এছেম্বলি, টেষ্ট,

মাৰ্কিং, এণ্ড পেকেজিং) প্লান্টটো মেক ইন ইণ্ডিয়াৰ অধীনত এক গুৰুত্বপূৰ্ণ বিনিয়োগ, য'ত টাটা ইলেক্ট্ৰনিক্স লিমিটেডে বিকশিত কৰা থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। ১,৪৪৪ গৰাকী শ্ৰমিক আৰু ৯১টা গধুৰ মেচিন ব্যৱহাৰ কৰি এই নিৰ্মাণৰ কাম পূৰ্ণ গতিত চলি আছে। ২০২৫ চনৰ ডিচেম্বৰৰ পৰা ইয়াৰ উৎপাদন আৰম্ভ হ'ব, য'ত প্ৰথম অৱস্থাত প্ৰতিদিনে ১.২ কোটি চিপছ সম্পূৰ্ণ ক্ষমতাৰ এক চতুৰ্থাংশ হিচাপে প্ৰস্তুত কৰা হ'ব। সম্পূৰ্ণ কাৰ্যক্ষম হ'লে এই উদ্যোগটোৱে ১২ হাজাৰ প্ৰত্যক্ষ আৰু ২৫ হাজাৰৰো অধিক পৰোক্ষ চাকৰিৰ সৃষ্টি কৰিব, যিয়ে অসমক প্ৰযুক্তিগত আৰু ঔদ্যোগিক বিকাশৰ নতুন যুগলৈ আগুৱাই নিব।

**আধুনিক সাৰ উদ্যোগেৰে কৃষিৰ উৎপাদন বৃদ্ধি**

- অৰ্ধপৰিবাহী প্ৰকল্পৰ বাহিৰেও ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেশ্যন লিমিটেড (বি ভি এফ চি এল)ৰ অধীনত এটা অত্যাধুনিক সাৰ উদ্যোগ স্থাপনেৰে অসমৰ ঔদ্যোগিক সম্প্ৰসাৰণ অব্যাহত আছে। ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা এই সুবিধাই বছৰি ইউৰিয়াৰ উৎপাদন ১২.৭ লাখ টনলৈ বৃদ্ধি কৰিব— যিটো বৰ্তমানৰ ২ লাখ মেট্ৰিক টনতকৈ

যথেষ্ট বেছি। অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি এই উদ্যোগটোৱে ঘৰুৱা উৎপাদন বৃদ্ধি কৰিব, আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব, আৰু ভাৰতৰ কৃষি স্ব-নিৰ্ভৰশীলতা শক্তিশালী কৰিব।

## এডভান্টেজ আছাম ২.০ : এক গোলকীয় বিনিয়োগ কেন্দ্ৰ

- এই পৰিৱৰ্তনশীল উন্নয়নৰ লগে লগে অসম চৰকাৰে ২০২৫ চনৰ ২৫-২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অসম আন্তঃগাঁথনি আৰু বিনিয়োগ সন্মিলন ২০২৫-এডভান্টেজ আছাম ২.০ আয়োজন কৰিবলৈ সাজু হৈছে। এই বিশ্ব সন্মিলনে উদ্যোগ, চৰকাৰ আৰু চিন্তন গোটৰ মূল অংশীদাৰসকলক একত্ৰিত কৰি ইলেক্ট্ৰনিকছ্, অৰ্ধপৰিবাহী, নৱীকৰণযোগ্য শক্তি, মহাকাশ, পেট্ৰ'কেমিকেল, আৰু এম এছ এম ইৰ দৰে খণ্ডসমূহত নতুন বিনিয়োগৰ সুযোগ মুকলি কৰিব।
- অসমে বিশ্বব্যাপী বিনিয়োগকাৰীক আকৰ্ষণ কৰিবলৈ উত্তৰ-পূব ভাৰত আৰু দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে নিজৰ কৌশলগত অৱস্থানৰ সুযোগ ল'ব বিচাৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অন্যান্য কেবিনেট মন্ত্ৰীসকলৰ নেতৃত্বত হাই-প্ৰফাইল আন্তঃৰাষ্ট্ৰীয় ৰোড শ্ব' আয়োজনৰ জৰিয়তে অসমে দক্ষিণ কোৰিয়া,

জাপান, ইউ এ ই, ব্ৰিটেইন, থাইলেণ্ড আৰু মালয়েছিয়াৰ সৈতে সম্পৰ্ক শক্তিশালী কৰি অৰ্ধপৰিবাহী, আই টি, উৎপাদন, নবীকৰণযোগ্য শক্তি আৰু পৰ্যটনৰ ক্ষেত্ৰত উদীয়মান কেন্দ্ৰ হিচাপে নিজকে স্থান দিছে।

**ভৱিষ্যতৰ দিশে- অসম সাজু**

- ২০২৫ চনৰ ২৫ ফেব্ৰুৱাৰীত মাননীয় প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিবলগীয়া এডভান্টেজ আছাম ২.০ শীৰ্ষ সন্মিলনত উচ্চ পৰ্যায়ৰ মন্ত্ৰী পৰ্যায়ৰ ছেছন, উদ্যোগ সম্পৰ্কীয় আলোচনা আৰু খণ্ড-নিৰ্দিষ্ট ব্ৰেকআউট ছেছন অনুষ্ঠিত হ'ব। এই সন্মিলনত বাঁহ আৰু বহনক্ষম ফচল, সুগন্ধি আৰু সোৱাদ উদ্যোগ, এম এছ এম ই, কৃষক উৎপাদক সংস্থা আৰু মহিলা আত্মসহায়ক গোটৰ ক্ষেত্ৰত অসমৰ সম্ভাৱনাৰ ওপৰত আলোকপাত কৰা হ'ব।
- প্ৰগতিশীল নীতি, কৌশলগত অৱস্থান আৰু বিনিয়োগ-অনুকূল পৰিৱেশেৰে অসমে ভাৰতৰ পৰৱৰ্তী ঔদ্যোগিক পৰিৱৰ্তনৰ প্ৰবাহক আগুৱাই নিবলৈ আৰু বিশ্ব অৰ্থনৈতিক শক্তি হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সাজু হৈছে।

- এই অৰ্থনৈতিক উন্নয়নৰ মাজতে ২০২৪-২৫ বৰ্ষটো অসমৰ বাবে এক ঐতিহাসিক সময় হিচাপে পৰিগণিত হৈছে, যিটো আমাৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বৰ জৰিয়তে সম্ভৱ হোৱা দুটা উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। বাংলাৰ সমান্তৰালকৈ অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া কাৰ্য আৰু চৰাইদেউ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত কৰাটো অসমৰ চহকী সাংস্কৃতিক আৰু ভাষিক ঐতিহ্যক সন্মান আৰু সংৰক্ষণ কৰাৰ দিশত এক উল্লেখযোগ্য সফলতা। এই কৃতিত্বসমূহ ৰাজ্যৰ পৰিচয় আৰু উত্তৰাধিকাৰৰ প্ৰতি স্থায়ী অৱদান হিচাপে সদায় স্মৰণ কৰা হ'ব।

**ধ্ৰুপদী ভাষা হিচাপে অসমীয়া**

- অসমীয়া ভাষাৰ ইতিহাস প্ৰাগঐতিহাসিক যুগৰ পৰাই সন্ধান কৰিব পাৰি। ইয়াৰ বিৱৰ্তন প্ৰত্নতাত্ত্বিক তথ্যত প্ৰতিফলিত হৈছে। পৰ্যাপ্ত সাক্ষ্যই সূচায় যে অসমীয়া ভাষা ১৫০০ বছৰতকৈ অধিক পুৰণি, যিয়ে ধ্ৰুপদী ভাষা হিচাপে চিহ্নিত হোৱাৰ মৌলিক মাপকাঠী পূৰণ কৰিছে।

- বলিষ্ঠ ঐতিহাসিক আৰু ভাষিক প্ৰমাণ থকাৰ পিছতো অসমীয়া ভাষাই পূৰ্বতে এই সন্মানীয় স্বীকৃতি লাভ কৰা নাছিল। ইয়াৰ সঁহাৰি স্বৰূপে অসম চৰকাৰে নিজৰ দাবীক প্ৰতিপন্ন কৰিবলৈ এক বিস্তৃত কাৰিকৰী প্ৰতিবেদন প্ৰস্তুত কৰে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গতিশীল নেতৃত্বত অদম্য প্ৰচেষ্টা আৰু অবিৰত পোষকতাৰ জৰিয়তে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় কেবিনেটে আন চাৰিটা ভাষাৰ সমান্তৰালকৈ ২০২৪ চনৰ ৩ অক্টোবৰত অসমীয়া ভাষাক আনুষ্ঠানিকভাৱে ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰে।
- এই ঘোষণাক সমগ্ৰ অসমতে অপৰিসীম আনন্দ আৰু উদযাপনৰ জৰিয়তে আদৰণি জনোৱা হ'ল। ৰাইজ, ভাষিক গোট, শিক্ষানুষ্ঠান আৰু ৰাজহুৱা সংগঠন আদিয়ে একত্ৰিত হৈ নিজৰ আনন্দ প্ৰকাশ কৰিছিল। এই উদযাপনৰ অংশ হিচাপে ভাষা অনুৰাগীসকলে ১,১৯,১৪১ খন বৈঠকৰ আয়োজন কৰে আৰু এই ঐতিহাসিক সিদ্ধান্তৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি মাননীয় প্ৰধানমন্ত্ৰীলৈ ২,৬২,৪৮৮ খন ব্যক্তিগত পত্ৰ প্ৰেৰণ কৰে।

## চৰাইদেউ মৈদাম : সংৰক্ষণ আৰু প্ৰতিপালন কৰিবলগীয়া ঐতিহ্য

- মৈদাম-মধ্যযুগীয় আহোম ৰাজ্যৰ(অসমত প্ৰায় ১৩-১৯ শতিকা) সমাধিৰ টিলা ব্যৱস্থা অসমৰ বিভিন্ন প্ৰান্তত অৱস্থিত। অৱশ্যে আজি তেওঁলোকৰ এই সমাধি টিলা সৰ্বাধিক কেন্দ্ৰীভূত হৈ আছে চৰাইদেউত। এই আহোম ৰাজকীয় নেক্ৰ'পলিছ মধ্যযুগীয় অসমত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰা মং মাও (ৰাজত্বকাল ১২২৮-১২৬৮)ৰ পৰা অহা চাওলুং-ছ্যু-কা-ফাৰ প্ৰথম ৰাজধানী চহৰ চৰাইদেউ (বা চে-ৰাই-দয়) চহৰৰ দক্ষিণে আছিল। স্থাপত্যৰ ফালৰ পৰা মৈদামবোৰ হৈছে গুম্ফাযুক্ত কক্ষ (চৌ-চালি, এটা সৰু অষ্টভুজ গঠনৰ সৈতে), যিটো পশ্চিম দিশত পৰি থকা এটা খোলাযুক্ত প্ৰৱেশদ্বাৰৰ মাজেৰে প্ৰৱেশ কৰোৱা হয়। মৃত ৰজাক তাত সমাধিস্থ কৰাৰ পিছত কোঠাটো মাটিৰ ঢাপেৰে ঢাকি থোৱা হৈছিল, যাৰ ফলত টিলাটো গোলাৰ্ধৰ দৰে দেখা গৈছিল।
- এইটো অতি গৌৰৱৰ বিষয় যে ২০২৪ চনৰ ২১ জুলাইৰ পৰা ৩১ জুলাইলৈ নতুন দিল্লীত অনুষ্ঠিত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য সমিতিৰ বৈঠকৰ ৪৬ সংখ্যক অধিৱেশনত ২৬ জুলাই তাৰিখে “চৰাইদেউ মৈদাম”

ভাৰতৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য সম্পদ হিচাপে লিপিবদ্ধ কৰা হৈছে। এই শিলালিপিয়ে মৈদাম- আহোম ৰাজবংশৰ টিলা-সমাধি ব্যৱস্থা, চৰাইদেউক অসমৰ তৃতীয় বিশ্ব ঐতিহ্য সম্পদ আৰু উত্তৰ-পূব ভাৰতৰ সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰৰ অধীনত প্ৰথম বিশ্ব ঐতিহ্য সম্পদ হিচাপে গঢ়ি তুলিছিল, যাৰ ফলত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য তালিকাত এক নতুন সমাধি প্ৰকাৰ সংযোজন হৈছিল। ইয়াৰ ফলত অসমৰ লগতে উত্তৰ-পূব ভাৰতত নতুন আন্তঃৰাষ্ট্ৰীয় পৰ্যটনস্থলী মুকলি কৰা হয়।

**২০২৫ চনৰ বাবে বিশ্বৰ শীৰ্ষ ৫২ টা ভ্ৰমণ গন্তব্যস্থানৰ ভিতৰত অসমৰ স্থান ৪**

- এইটো আমাৰ বাবে অপৰিসীম গৌৰৱৰ মুহূৰ্ত যে দ্য নিউয়ৰ্ক টাইমছে ২০২৫ চনত ৫২ টা গোলকীয় গন্তব্যস্থানৰ ভিতৰত অসমক চতুৰ্থ শীৰ্ষ স্থান হিচাপে স্থান দিছে।এই সন্মানীয় স্বীকৃতিয়ে ৰাজ্যখনৰ প্ৰাকৃতিক দৃশ্যপট, চহকী সাংস্কৃতিক ঐতিহ্য আৰু অতুলনীয় জৈৱ বৈচিত্ৰ্যক উজ্জ্বল কৰি তুলিছে, যিয়ে অসমক এক বিশ্বমানৰ ভ্ৰমণ গন্তব্য স্থান হিচাপে প্ৰতিষ্ঠা কৰিছে। এই গোলকীয় স্বীকৃতিৰে অসমে বৰ্ধিত আন্তঃৰাষ্ট্ৰীয়

পৰ্যটকক আকৰ্ষণ কৰিবলৈ সাজু হৈছে, যাৰ দ্বাৰা ইয়াৰ অৰ্থনীতি আৰু সাংস্কৃতিক আদান-প্ৰদান বৃহত্তৰ পৰিসৰত বৃদ্ধি পাব।

**ঝুমইৰ নৃত্য : অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগৰ এক বৃহৎ উদযাপন**

- এই স্বীকৃতিৰ ওপৰত ভিত্তি কৰি আৰু অভিলেখ ভংগকাৰী বিহু নৃত্য প্ৰদৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হৈ অসম চৰকাৰে এতিয়া চাহ ঐতিহ্য আৰু সাংস্কৃতিক পৰিচয়ৰ প্ৰতীক হিচাপে চাহ বাগানৰ ঝুমুৰ নাচ নামেৰে পৰিচিত ঝুমইৰৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰিছে। অসমৰ চাহ বাগিচাৰ শ্ৰমিকৰ পৰম্পৰাত শিপাই থকা ঝুমইৰ হৈছে দীৰ্ঘদিন ধৰি চাহ জনজাতিসকলৰ আনন্দ, স্থিতিস্থাপকতা আৰু ঐক্যৰ সজীৱ প্ৰকাশ। কৰম পূজা আৰু টুচু পূজাৰ সময়ত পৰিবেশন কৰা এই নৃত্য হৈছে মাদল আৰু বাঁহীৰ দৰে পৰম্পৰাগত বাদ্যযন্ত্ৰৰে সৈতে আকৰ্ষণীয় গতিবিধি, ছন্দময় গঠন আৰু আত্মাস্পৰ্শী সংগীতৰ মন্ত্ৰমুগ্ধকৰ মিশ্ৰণ।
- অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগক সন্মান জনোৱাৰ অৰ্থে ২০২৫ চনৰ ২৪ ফেব্ৰুৱাৰীত সৰুসজাই

ষ্টেডিয়ামত এক ঐতিহাসিক ঝুমইৰ অনুষ্ঠান অনুষ্ঠিত হ’ব, য’ত চাহ বাগিচা আৰু আদিবাসী জনগোষ্ঠীৰ ৮ হাজাৰ নৃত্যশিল্পীয়ে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত উপস্থিত থাকিবলগীয়া মাননীয় প্ৰধানমন্ত্ৰী মহোদয়, বিভিন্ন দেশৰ ৰাষ্ট্ৰদূত আৰু বিশ্বৰ ঔদ্যোগিক নেতাসকলে অসমৰ সাংস্কৃতিক প্ৰাধান্যক বিশ্ব মঞ্চত অধিক শক্তিশালী কৰিব।

- অসমৰ চাহ উদ্যোগে তৃতীয় শতিকাত প্ৰৱেশ কৰাৰ লগে লগে ঝুমইৰ এক কালজয়ী শ্ৰদ্ধাঞ্জলি হিচাপে পৰিগণিত হৈছে– যি এই ভূমি, ইয়াৰ জনসাধাৰণ আৰু তেওঁলোকৰ চিৰস্থায়ী পৰম্পৰাৰ এক উদযাপন।

অসমৰ এই ৰোমাঞ্চকৰ পৰিঘটনাসমূহৰ বিষয়ে কোৱাৰ পিছত মই এতিয়া মোৰ চৰকাৰৰ কেতবোৰ সাফল্যৰ ওপৰত আলোকপাত কৰিম :

## অৰুণোদয় : মহিলা সবলীকৰণ আৰু আৰ্থিক নিৰাপত্তা

- আমাৰ চৰকাৰে আজি ৰাজ্যৰ ২৪ লাখৰো অধিক যোগ্য মহিলাক প্ৰতিমাহে ১২৫০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰি আহিছে। আমি ইতিমধ্যে অৰুণোদয় ৩.০ মুকলি কৰিছো, য'ত হিতাধিকাৰীৰ সংখ্যা আগন্তুক বছৰত ৩৭ লাখলৈ বৃদ্ধি কৰা হ'ব।

- আপোনালোক সকলোৱে জানে যে এই আঁচনিৰ উদ্দেশ্য হৈছে মহিলাসকলক আৰ্থিকভাৱে সহায় কৰা যাতে, তেওঁলোকে পুষ্টি আৰু চিকিৎসাজনিত সহায় লাভ কৰিব পাৰে আৰু তেওঁলোকে প্ৰয়োজনীয় মাহজাতীয় শস্য, চেনি, অত্যাৱশ্যকীয় ফল-মূল আৰু শাক-পাচলিৰ লগতে ঔষধ ক্ৰয় কৰিব পাৰে।
- এই কাৰ্যসূচীৰ জনপ্ৰিয়তা দেশৰ আন বহু ৰাজ্যৰ বাবে ধাৰা প্ৰৱৰ্তক আৰু উদাহৰণ হিচাপে পৰিগণিত হৈছে।

## উদ্যোগ, দক্ষতা বিকাশ আৰু হস্ততাঁত

- আপোনালোকে জানি সুখী হ'ব যে আমাৰ চৰকাৰে এক মাইলৰ খুঁটিস্বৰূপ পদক্ষেপ গ্ৰহণ কৰি দেশৰ ভিতৰতে প্ৰথম 'ইনোভেশ্যন, ইনকিউবেচন এণ্ড ষ্টাৰ্টআপ' নামেৰে এটা বিভাগ গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমত এক উদ্যমিতাকেন্দ্ৰিক পৰিৱেশতন্ত্ৰ গঢ় দিয়াৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক ই প্ৰতিফলিত কৰে। উদ্যমিতাৰ যাত্ৰাত উদ্ভাৱন আৰু সৃষ্টিশীলতাৰ ক্ষেত্ৰত আমাৰ যুৱক-যুৱতীসকলৰ উচ্চাকাংক্ষাক ই সুযোগৰ পথ দেখুৱাব। ষ্টাৰ্টআপসমূহক বিকাশৰ সুবিধা প্ৰদান কৰি আৰু উদ্ভাৱনীমূলক মনোভাৱক উৎসাহ যোগাই অসমৰ অৰ্থনৈতিক উন্নয়ন আৰু বিকাশৰ যাত্ৰাক এক

নতুন মাত্রা প্ৰদান কৰাৰ ক্ষেত্ৰত এই পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

- অসমত ঔদ্যোগিক বিকাশক আগুৱাই নিয়া, চাকৰি সৃষ্টি আৰু অৰ্থনৈতিক স্বাৱলম্বীতা অৰ্জনৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ অটল উৎসৰ্গিত মনোভাবে যথেষ্ট সুফল লাভ কৰিছে। অসমৰ ৰাইজে ৰাজ্যখন উদ্যোগীকৰণৰ বাবে লোৱা চৰকাৰৰ দৃষ্টিভংগীক অকুণ্ঠ সমৰ্থন জনাইছে।
- মই ইতিমধ্যে উল্লেখ কৰিছো যে জাগীৰোডত ২৭,০০০ কোটি টকাৰ অৰ্ধপৰিবাহী সমাৱিষ্টকৰণ আৰু পৰীক্ষাৰ সুবিধাই বৃহৎ সংখ্যক চাকৰিৰ সৃষ্টি কৰিব আৰু আনুষংগিক উৎপাদন বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। ইয়ে ৰাজ্যখনৰ অৰ্থনৈতিক পৰিৱেশতন্ত্ৰত যথেষ্ট অৰিহণা যোগাব। সেয়েহে আমি এক এংকৰ( Anchor ) উদ্যোগ হিচাপে টাটা অ' এছ এ টি প্লাণ্টৰ সৈতে এখন ছেমিকণ্ডাক্টৰ ভেণ্ডৰ লজিষ্টিক পাৰ্ক আৰু বৈদ্যুতিন চহৰ গঢ়ি তোলাৰ বাবে এক কৌশল ৰচনা কৰিছো।
- ইয়াৰ উপৰি ঔদ্যোগিক উন্নয়নক অধিক শক্তিশালী কৰিবলৈ ৰাজ্যখনে ২১টা মেগা ঔদ্যোগিক ইউনিটৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে আৰু লগতে কেবিনেটে ৭টা অতিৰিক্ত ইউনিটৰ প্ৰস্তাৱত অনুমোদন

জনাইছে। এই প্ৰকল্পসমূহে ১৪,৮০৮ কোটি টকাৰ বিনিয়োগ আনিব আৰু ২১,০০০ৰো অধিক চাকৰিৰ সৃষ্টি কৰিব।

- গুৱাহাটীৰ বেতকুছিত ২৯৮ কোটি টকাৰ প্ৰকল্প ব্যয়ৰে এটা ইউনিটি মল স্থাপন কৰাটো চৰকাৰৰ আন এক উল্লেখযোগ্য পদক্ষেপ। এই মলটোৱে এক জিলা এক উৎপাদন সামগ্ৰী (অ' ডি অ' পি) আৰু জি আই-টেগ কৰা সামগ্ৰীসমূহ প্ৰদৰ্শন কৰিব। এই ব্যৱস্থাই স্থানীয় কাৰুশিল্পী আৰু উদ্যোগীসকলক সহায় কৰাৰ লগতে ৰাষ্ট্ৰীয় সংহতিক উদগণি জনাব।
- ২০২৩ চনত আৰম্ভ হোৱা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (চি এম এ এ এ)ৰ অধীনত ১,০০,০০০ৰ পৰা ২,৫০,০০০ টকালৈকে আগবঢ়োৱা অনুদানৰ জৰিয়তে ২৫,০০০ৰো অধিক যুৱকক সবলীকৰণ কৰি আত্মনিয়োগৰ সুযোগ প্ৰদান কৰা হৈছে। আমাৰ নিষ্ঠাবান চি এম ফেলোসকলে উদ্যোগীকৰণৰ ধাৰণাক গঢ় দিবলৈ আৰু অংশীদাৰসকলৰ সহযোগিতা শক্তিশালী কৰাৰ বাবে জিলাসমূহত কাম কৰি আছে।
- পি এম বিশ্বকৰ্মা যোজনাৰ অধীনত দক্ষতা বিকাশ আৰু আৰ্থিক সহায়ৰ বাবে এক লাখৰো অধিক পৰম্পৰাগত কাৰু শিল্পী আৰু শিল্পীকৰ্মীৰ নামভৰ্তি কৰা

হৈছে। প্ৰায় ৬১০০০ হিতাধিকাৰীয়ে প্ৰশিক্ষণ লাভ কৰিছে, আৰু এই খণ্ডত উদ্যোগীকৰণৰ বিকাশ সাধনৰ বাবে ৭০০০ৰো অধিক ঋণ প্ৰদান কৰা হৈছে।

- উদ্ভাৱন হ'ল এক মূল গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। অসম অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত ষ্টাৰ্টআপ ইনকিউবেচন কেন্দ্ৰ স্থাপনৰ বাবে ৫ কোটি টকা আবণ্টন দিয়া হৈছে। এই কেন্দ্ৰসমূহে পৰৱৰ্তী প্ৰজন্মৰ উদ্যোগী আৰু উদ্ভাৱকসকলক গঢ় দিব।
- অসমৰ অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ এম এছ এম ই সমূহে উদ্যম পৰ্টেলৰ অধীনত ৬.৬ লাখৰো অধিক পঞ্জীয়ন লাভ কৰিছে। ইয়াৰ উপৰি RAMP কাৰ্যসূচীৰ অধীনত ২৫০০০ৰো অধিক নতুন এম এছ এম ই স্বত্বাধিকাৰীক তেওঁলোকৰ সামৰ্থ্য বৃদ্ধিৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।
- অসমৰ ৰপ্তানি খণ্ডৰ বিকাশ অব্যাহত আছে, গোলকীয় প্ৰত্যাহ্বানৰ মাজতো ৩,৬০০ কোটি টকাৰ ৰপ্তানি কৰি ৰাজ্যখনে সফলতা লাভ কৰিছে। চাহ, পাটসূতা, কাৰ্বি আংলঙৰ আদা আৰু অসম নেমুৰ দৰে জি আই টেগ কৰা সামগ্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছে। পৰিৱেশ অনুকূল উদ্যোগসমূহক উদগণি জনাবলৈ বাঁহ

মিছনে ১০খন জিলাত সজাগতা কাৰ্যসূচী আৰম্ভ কৰিছে। ইয়াৰ অধীনত ৪০০ বিঘা ভূমি নতুন বৃক্ষৰোপন কাৰ্যৰে সামৰি লোৱা হৈছে আৰু ২০০ টা সা-সৰঞ্জাম বিতৰণ কৰা হৈছে।

- মূল ৰাজহ উপাৰ্জনকাৰী হিচাপে পৰিচিত খনন খণ্ডই এই বছৰ ৩,৮১৫ কোটি টকাৰো অধিক পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰি যথেষ্ট সফলতা লাভ কৰিছে। কেৱল গ্ৰেনাইটৰ নিলামে প্ৰায় ৩৬২ কোটি টকাৰ বৰঙণি আগবঢ়াইছিল। আনহাতে চলি থকা চূণশিল আৰু কয়লা অন্বেষণে বছৰি ১০০০ কোটি টকা দিব বুলি অনুমান কৰা হৈছে। তদুপৰি, জিলা খনিজ পুঁজিৰ পৰা পোৱা ১০০ কোটিৰো অধিক টকা খনন প্ৰভাৱিত অঞ্চলসমূহৰ খোৱাপানী যোগান, স্বাস্থ্যসেৱা, আৰু আন্তঃগাঁথনি উন্নত কৰাৰ বাবে ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰা হৈছে।
- ইজ অৱ ডুইং বিজনেছ উন্নত কৰাৰ বাবে লোৱা আমাৰ প্ৰচেষ্টাৰ ফলত ভাৰত চৰকাৰৰ ডি পি আই আই টিৰ ব্যৱসায়িক সংস্কাৰমূলক কাৰ্য্য পৰিকল্পনাত ৯৯% উল্লেখযোগ্য আবেদন প্ৰক্ৰিয়াকৰণৰ হাৰেৰে অসমে সফলতা লাভ কৰা শীৰ্ষ ৰাজ্যসমূহৰ ভিতৰত স্থান দখল কৰিছে। ইয়াৰ দ্বাৰা ব্যৱসায়সমূহক সহায়

কৰাৰ প্ৰতি আমাৰ দক্ষতা আৰু দায়বদ্ধতা প্ৰতিফলিত হয়।

- চৰকাৰে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ দৰে পদক্ষেপৰ জৰিয়তে দক্ষতা বিকাশ আৰু উদ্যোগীকৰণক আগুৱাই লৈ গৈছে। ৩৯ লাখ মহিলাক গ্ৰাম্য উদ্যোগী হিচাপে সবলীকৰণ কৰিছে।
- টাটা টেকন'লজিছ আৰু এল এণ্ড টিৰ সৈতে অংশীদাৰিত্বৰ জৰিয়তে দক্ষতা প্ৰশিক্ষণ কাৰ্যসূচী সম্প্ৰসাৰিত কৰা হৈছে। ৪৪খন চৰকাৰী আই টি আই আৰু ৮০খন ব্যক্তিগত আই টি আইত ৩০,০০০ আসন উপলব্ধ আছে। সৌৰশক্তি আৰু বৃত্তিমূলক প্ৰশিক্ষণৰ ক্ষেত্ৰত লোৱা বিশেষ পদক্ষেপে দক্ষতা আৰু নিয়োগযোগ্যতা আৰু অধিক বৃদ্ধি কৰিছে।
- এই সফলতাসমূহে বিনিয়োগ, উদ্ভাৱন, আৰু বহনক্ষম উন্নয়নৰ কেন্দ্ৰ হিচাপে অসমৰ স্থিতি পুনৰ দৃঢ় কৰিছে। আমাৰ ৰাজ্যৰ জনসাধাৰণৰ বাবে এক স্থিতিস্থাপক আৰু সমৃদ্ধিশালী ঔদ্যোগিক পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত থকা আমাৰ উৎসৰ্গিত মনোভাব অটুট ৰাখিছো।

**কৃষি, সমবায় আৰু সহযোগী খণ্ড :**

- আমাৰ অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ কৃষি খণ্ডত আমাৰ ৰাজ্যই যি উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে তাক দাঙি ধৰিবলৈ পাই মই অত্যন্ত আনন্দিত হৈছো। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি (PMKISAN)ৰ অধীনত ২০২৪ চনত প্ৰায় ১,৩৭৪ কোটি টকা বিতৰণ কৰা হৈছে, যাৰ ফলত ১৮ লাখৰো অধিক কৃষক উপকৃত হৈছে। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাত (পি এম এফ ৱাই) কৃষকৰ আৱেদনৰ সংখ্যা উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে। ২০২৩-২৪ৰ ৰবি শস্যৰ খেতিৰ সময়ছোৱাত প্ৰায় ৪ লাখ আৰু ২০২৪ চনৰ খাৰিফ শস্যৰ খেতিৰ সময়ত ৭.৮ লাখ আৱেদন লাভ কৰা হৈছে। YES-TECH পদক্ষেপ আৰু আগন্তুক WINDS ব্যৱস্থাই শস্যৰ আনুমানিক উৎপাদন আৰু বতৰৰ তথ্যৰ সঠিকতা আৰু অধিক বৃদ্ধি কৰিব।
- শস্যৰ বৈচিত্ৰ্য আৰু এলেকা সম্প্ৰসাৰণৰ ক্ষেত্ৰত আমাৰ প্ৰচেষ্টা ফলপ্ৰসূ হৈছে। ২০২৪-২৫ চনৰ ৰবি খেতিৰ সময়ত প্ৰায় ২.১৬ লাখ হেক্টৰ মাটিত সৰিয়হৰ খেতি আৰু প্ৰায় ৭০,০০০ হেক্টৰ মাটিত মাহজাতীয় শস্যৰ খেতি কৰা হৈছে। আমি খোৱা তেল উৎপাদনত স্বাৱলম্বিতা অৰ্জন কৰাৰ লক্ষ্য ৰাখিছো। ২০২৫-২৬

চনৰ ভিতৰত প্ৰায় ২ লাখ মেট্ৰিক টন খোৱা তেল উৎপাদনৰ লক্ষ্য স্থিৰ কৰা হৈছে।

- ভূমি স্বাস্থ্য কাৰ্ড পদক্ষেপৰ অধীনত ২০২৪ চনত প্ৰায় ৬ লাখ কাৰ্ড সৃষ্টি কৰি কৃষকসকলৰ মাটিৰ গুণাগুণ পৰীক্ষা কৰাত সহায় কৰা হৈছে৷ আমি ২৬টা অত্যাধুনিক মাটি পৰীক্ষাৰ পৰীক্ষাগাৰ নিৰ্মাণ আৰু নবীকৰণত ৩০ কোটি বিনিয়োগ কৰিছো। কৃষি যান্ত্ৰিকীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ৮৮৭খন ট্ৰেক্টৰ, ৭,৪০০ৰো অধিক পাৱাৰ-টিলাৰ আৰু অন্যান্য বিভিন্ন যন্ত্ৰপাতি প্ৰদান কৰা হৈছে, যাৰ ফলত কৃষি শক্তিৰ উপলব্ধতা প্ৰতি হেক্টৰত প্ৰায় ০.৮২ কিলোৱাটলৈ বৃদ্ধি পাইছে।
- কৃষকসকলক সহায় কৰিবলৈ আৰু কৃষি উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ মাটি, পানী আৰু গছ-গছনি সংৰক্ষণ আৰু বহনক্ষম ব্যৱস্থাপনাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। অগ্ৰাধিকাৰপ্ৰাপ্ত উন্নয়ন কাৰ্যসূচীৰ অধীনত ১,৩৫০ কোটি টকা বিনিয়োগেৰে ২০২৪-২৫ বৰ্ষত প্ৰায় ৬,১০০ হেক্টৰ বৰষুণৰ দ্বাৰা পৰিচালিত কৃষিভূমিৰ উন্নয়ন সাধন কৰা হৈছে। প্ৰধানমন্ত্ৰী কৃষি সিঞ্চায়ী যোজনাই প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা আৰু জীৱিকাৰ কাম-কাজত যথেষ্ট অগ্ৰগতিৰে মাটি আৰু আৰ্দ্ৰতা সংৰক্ষণৰ

প্ৰতি লক্ষ্য ৰাখিছে, যাৰ ফলত ২০২৩–২৪ বৰ্ষত প্ৰায় ১০,০০০ হেক্টৰকে ধৰি ৮.৮ লাখ হেক্টৰতকৈ অধিক ভূমিত জলসিঞ্চনৰ সম্ভাৱনা সৃষ্টি হৈছে। অতিৰিক্ত ৭৬০০ হেক্টৰ ভূমিৰ লক্ষ্যৰে ৯খন পৃষ্ঠীয় ক্ষুদ্ৰ জলসিঞ্চন আঁচনি ৰূপায়ণ কৰা হৈছে। বুৰৈ আৰু পুঠিমাৰীৰ দৰে ডাঙৰ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প আৰু বৰাক উপত্যকাত চাৰিটা প্ৰকল্পৰ জৰিয়তে প্ৰায় ৭৫,০০০ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনা সৃষ্টিৰ লক্ষ্য লোৱা হৈছে। বহনক্ষম পদ্ধতিসমূহক সহায় কৰিবলৈ সৌৰশক্তিচালিত মোবাইল লিফ্ট জলসিঞ্চন আঁচনি আৰু গাড়ীত লগোৱা সৌৰ পাম্পৰ দৰে উদ্ভাৱনীমূলক সমাধান ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছে, যাৰ ফলত শ শ হেক্টৰ ভূমি উপকৃত হৈছে। জলাশয়সমূহৰ সংস্কাৰ সাধনৰ বাবে ৮৫টা প্ৰস্তাৱ অনুমোদনৰ পৰ্যায়ত আছে, যাৰ লক্ষ্য হৈছে ৭৫০০ হেক্টৰ ভূমিক জলসিঞ্চনেৰে সামৰি লোৱা।

- ৰাজ্যিক কৃষি ব্যৱস্থাপনা আৰু সম্প্ৰসাৰণ প্ৰশিক্ষণ প্ৰতিষ্ঠান (SAMETI)ৰ শৈক্ষিক পদক্ষেপে হাজাৰ হাজাৰ কৃষক আৰু সম্প্ৰসাৰণ কৰ্মীক উপকৃত কৰিছে। ধান খেতিয়কৰ বাবে চৰকাৰে এই বতৰত ৫.৮৫ লাখ মেট্ৰিকটন ধান ক্ৰয়ৰ লক্ষ্য ৰাখিছে, যিটো ধানকল,

গুদাম, আৰু Fortified Rice Kernel মেচিনৰ দ্বাৰা কৰা হ'ব। সৰিয়হ আৰু ধানৰ ন্যূনতম সমৰ্থন মূল্যই (MSP) কৃষকৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য নিশ্চিত কৰিছে।

- ৰাজ্য চৰকাৰে বহনক্ষম কৃষি-পৰিৱেশগত ভাৰসাম্যৰ বাবে প্ৰাকৃতিক কৃষিক উদগনি জনাইছে। প্ৰায় ১০,০০০ হেক্টৰ মাটি প্ৰাকৃতিক কৃষিৰ অধীনলৈ অনা হৈছে। আন্তঃগাঁথনি উন্নয়নে ৭৩খন গ্ৰাম্য কৃষি বজাৰ সম্পূৰ্ণকৰণ, শীতল ভঁৰালৰ সুবিধা আৰু দৰংগিৰিত কলৰ বজাৰ উন্নয়নক সামৰি লৈছে। আমাৰ কৃষি ৰপ্তানিয়ে নতুন মাত্ৰা লাভ কৰিছে। তেজপুৰ লেচু, ডলিচ'ছ বিন, জৈৱিক ক'লা চাউল, অসমৰ নেমু আৰু অন্যান্য বিভিন্ন জৈৱিক উৎপাদিত সামগ্ৰী আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ ৰপ্তানি কৰা হৈছে।
- অসমৰ মীন খণ্ডই ২.৫ মিলিয়নৰো অধিক মাছমৰীয়াক খাদ্য আৰু জীৱিকাৰ ব্যৱস্থা কৰিছে। ২০১৯-২০ বৰ্ষত মাছৰ উৎপাদন ২৭% বৃদ্ধি পাই ২০২৩-২৪ বৰ্ষত ৪.৭৪ লাখ মেট্ৰিক টন হৈছে। প্ৰধানমন্ত্ৰী মৎস্য সম্পাদ যোজনা (পি এম এম এছ ৱাই), এপাৰ্ট, আৰু নাবাৰ্ডৰ সহায়ত আৰআইডিএফৰ দৰে চৰকাৰী আঁচনিসমূহে উৎপাদন বৃদ্ধি আৰু কৃষকৰ আয় দুগুণ

কৰাত গুৰুত্ব আৰোপ কৰিছে। এই আঁচনিসমূহৰ অধীনত বছৰি ২১ হাজাৰ মাছমৰীয়াক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে আৰু আন্তঃগাঁথনি প্ৰকল্পৰ লক্ষ্য হৈছে ১৫০০ মিলিয়ন মাছৰ পোনা আৰু ৫০০০ মেট্ৰিক টন table fishৰ উৎপাদন বৃদ্ধি কৰা। ৰিচাৰ্কুলেটৰী একুৱাকালচাৰ চিষ্টেম (RAS) আৰু বায়'-ফ্লক ইউনিটৰ দৰে উদ্ভাৱনী ব্যৱস্থাই উৎপাদন বৃদ্ধি কৰিছে।

- গুৱাহাটী, ডিব্ৰুগড় আৰু গোলাঘাটত তিনিখন পোহনীয়া জন্তুৰ চিকিৎসালয় নিৰ্মাণৰ কাম চলি আছে আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। গোলাঘাট, তিনিচুকীয়া, চাংসাৰি আৰু লখিমপুৰত চাৰিখন মাল্টি কেয়াৰ পশু চিকিৎসালয় নিৰ্মাণৰ কাম চলি আছে আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। শিৱসাগৰৰ পঞ্চম মাল্টি কেয়াৰ পশু চিকিৎসালয়ৰ কাম শীঘ্ৰে আৰম্ভ কৰা হ'ব।
- আমাৰ দুগ্ধ পালকসকলৰ লাভজনকতা আৰু প্ৰতিযোগিতামূলক ক্ষমতা বৃদ্ধিৰ বাবে মোৰ চৰকাৰে যোগ্য পঞ্জীয়নভুক্ত দুগ্ধ সমবায় সমিতিক গাখীৰ যোগান ধৰা সকলো দুগ্ধপালকক প্ৰতি লিটাৰ গাখীৰত

৫ টকাৰ ঘাটি সাহায্য (gap support) প্ৰদান কৰিবলৈ লৈছে।

- ২০২২-২৩ বিত্তীয় বৰ্ষত আমাৰ চৰকাৰে ১.১৬ লাখ ড'জ লিংগ নিৰ্ধাৰিত বীৰ্য ক্ৰয় কৰিছে, যাৰ ফলত প্ৰায় ৫০,০০০ মাইকী পোৱালি জন্ম হোৱাৰ সম্ভাৱনা আছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত লিংগ নিৰ্ধাৰিত বীৰ্যৰ ১.০০ লাখ ড'জ ব্যৱহাৰ কৰা হৈছে। এই পদক্ষেপ বৰ্তমানেও অব্যাহত আছে।
- গাখীৰ উৎপাদন আৰু সংগঠিত গাখীৰ বিপণনক নতুন ৰূপ দিয়াৰ উদ্দেশ্যে মোৰ চৰকাৰে যুটীয়া উদ্যোগ কোম্পানী, নৰ্থ ইষ্ট ডেইৰী এণ্ড ফুডছ লিমিটেড (এন ই ডি এফ এল) ক একত্ৰিত কৰিবলৈ এন ডি ডি বিৰ সৈতে বুজাবুজি চুক্তি স্বাক্ষৰ কৰি অসম দুগ্ধ উন্নয়ন কাৰ্যসূচী আৰম্ভ কৰিছে। এই পৰিকল্পনাৰ অধীনত প্ৰতিদিনে ১০ লাখ লিটাৰ গাখীৰ সংসাধন আৰু বিপণনৰ কৰাৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ বাবে প্ৰথম অৱস্থাত যোৰহাট আৰু ডিব্ৰুগড়ত ৫০ কোটি টকাৰ আৰ আই ডি এফৰ পুঁজিৰে প্ৰতিদিনে ১.০ লাখ লিটাৰকৈ দুটাকৈ গাখীৰ সংসাধন প্ৰকল্প স্থাপন কৰিব কৰা হ'ব।

- উৎসতে গাখীৰ সংগ্ৰহ কৰিবলৈ ৱামুল (পশ্চিম অসম গাখীৰ উৎপাদক ইউনিয়ন লিমিটেড)ৰ সহযোগত ধেমাজিত প্ৰতিদিনে ৫০০০ লিটাৰ সংসাধন ক্ষমতাৰ গাখীৰ সংসাধন কাৰখানাটো কাৰ্যক্ষম কৰা হ'ব। একেদৰে খানাপাৰাত প্ৰতিদিনে ৫০০০ লিটাৰ ক্ষমতাৰ গাখীৰ সংসাধন প্ৰকল্পটো উপযুক্ত সংগঠনৰ সৈতে কাৰ্যক্ষমৰ বাবে সাজু হৈ উঠিছে। এই পদক্ষেপে প্ৰায় ২০০০ দুগ্ধপালকক সামৰি অসংগঠিত খণ্ডৰ পৰা সংগঠিত খণ্ডলৈ প্ৰায় ১০০০০ লিটাৰ গাখীৰ সংগ্ৰহ কৰাৰ লক্ষ্য লোৱা হৈছে।

**খাদ্য সুৰক্ষা আৰু ৰাজহুৱা সেৱা প্ৰদান**

- অসম চৰকাৰে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (এন এফ এছ এ), ২০১৩ ৰূপায়ণ কৰি ৬.৭ লাখ অন্ত্যোদয় অন্ন যোজনা (এ এ ৱাই) আৰু ৬০ লাখ অগ্ৰাধিকাৰপ্ৰাপ্ত (পি এইচ এইচ) পৰিয়ালকে ধৰি ৬৭ লাখ পৰিয়ালৰ ২.২৯ কোটি লোকক উপকৃত কৰিছে। এ এ ৱাই পৰিয়ালে প্ৰতিমাহে ৩৫ কেজি চাউল লাভ কৰে, আৰু পি এইচ এইচ পৰিয়ালে প্ৰতিজন সদস্যৰ বিপৰীতে ৫ কিলোগ্ৰাম চাউল লাভ কৰে আৰু এই সকলোবোৰ বিনামূলীয়াকৈ লাভ কৰে। ২০২৪ চনৰ

ডিচেম্বৰ মাহত প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনা (PMGKAY)ৰ অধীনত ১.২৭ লাখ মেট্ৰিক টন চাউল বিতৰণ কৰা হৈছে৷ বৃদ্ধাশ্ৰম, অনাথ আশ্ৰমৰ বাসিন্দা, আৰু eSHRAM পঞ্জীয়নকাৰীকে ধৰি দুৰ্বল শ্ৰেণীৰ লোকসকলক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে, আৰু ২০ লাখ নতুন হিতাধিকাৰীয়ে এতিয়া বিনামূলীয়া স্বাস্থ্য বীমা, এলপিজি সংযোগ আৰু অন্যান্য কল্যাণমূলক আঁচনিৰ সুবিধা লাভ কৰিছে।

- অন্ন সেৱা দিনৰ লেখীয়া পদক্ষেপৰ অধীনত প্ৰতি মাহৰ ১ তাৰিখৰ পৰা ১০ তাৰিখৰ ভিতৰত মাহেকীয়া চাউল বিতৰণ নিশ্চিত কৰা হৈছে। আনহাতে এক ৰাষ্ট্ৰ এক ৰেচনকাৰ্ড (অ' এন অ' আৰ চি) আঁচনিয়ে দেশজুৰি সুবিধা আগবঢ়ায়। আধাৰ সংযুক্তকৰণ আৰু ই কে ৱাই চিৰ জৰিয়তে স্বচ্ছতা বৃদ্ধি হৈছে। ৫,৬০০ৰো অধিক "আমাৰ দোকান" বিপনীয়ে সুলভ মূল্যৰ প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰে আৰু ৫০.৯৭ লাখ এলপিজি সংযোগ প্ৰদান কৰা হৈছে৷ এই ব্যৱস্থাসমূহে খাদ্য সুৰক্ষা, স্বচ্ছতা, আৰু কৃষকৰ সহায়ৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাকে সুচাইছে।
- ২০২৪ চনৰ মাৰ্চ মাহত স্থাপিত অসম ৰাজ্যিক লোক সেৱা অধিকাৰ আয়োগে লোকসেৱা প্ৰদানৰ ব্যৱস্থা

শক্তিশালী কৰিছে৷ ৰাজ্যখনে চি পি জি আৰ এম এছৰ জৰিয়তে অভিযোগ নিষ্পত্তিৰ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। আয়োগে ৰাষ্ট্ৰীয় গড় অতিক্ৰম কৰি ৬০% মানসম্পন্ন নিষ্পত্তি কৰি সফলতা লাভ কৰিছে। কৃতজ্ঞতা পদক্ষেপে নিৰৱিচ্ছিন্ন পেঞ্চন প্ৰক্ৰিয়াকৰণ নিশ্চিত কৰে, আৰু জীৱন প্ৰমাণ পদক্ষেপে পেঞ্চনাৰসকলৰ বাবে বায়মেট্ৰিক ডিজিটেল লাইফ চাৰ্টিফিকেট প্ৰদান কৰে, যাৰ ফলত তেওঁলোকৰ অত্যাৱশ্যকীয় সেৱাসমূহ লাভ কৰাত সহজ হয়।

- প্ৰশাসনিক দক্ষতা আৰু নাগৰিককেন্দ্ৰিক শাসন ব্যৱস্থা বৃদ্ধিৰ বাবে চৰকাৰে ২০২৪ চনৰ ৪ অক্টোবৰত ৩৯খন সম-জিলা গঠন কৰিছে আৰু ইয়াৰ কাম-কাজ আৰম্ভ হৈছে। এই সম-জিলাসমূহ নিজৰ বিধান সভা সমষ্টিৰ সীমাৰ সৈতে সামঞ্জস্য ৰাখি গঠন কৰা হৈছে।
- বিভিন্ন ক্ষেত্ৰত ব্যক্তিসকলৰ ব্যতিক্ৰমী অৱদানক সন্মান জনাই ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক বঁটা—অসম বৈভৱ, অসম সৌৰভ, আৰু অসম গৌৰৱ বঁটা প্ৰদান কৰা হয়। যোৱা বছৰ অসম বৈভৱ বঁটা শ্ৰী ৰঞ্জন গগৈক প্ৰদান কৰা হৈছিল। অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা যোৱা বছৰ ক্ৰমে ৪ আৰু ১৭ গৰাকী বিশিষ্ট

ব্যক্তিক নিজ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে প্ৰদান কৰা হৈছিল।

## গ্ৰামোন্নয়ন, খোৱাপানী আৰু অনাময় ব্যৱস্থা

- আন্তঃগাঁথনি উন্নত কৰা, কৃষিৰ বিকাশ আৰু গ্ৰাম্য জনসাধাৰণৰ সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি গ্ৰাম্য অসমৰ উন্নয়নৰ প্ৰতি মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (পি এম এ ৱাই-জি)ৰ অধীনত অসমত ১৯.৫ লাখৰো অধিক পকীঘৰৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে, পি এম এ ৱাই-জি ২.০ৰ অধীনত প্ৰায় ১.৭ লাখ অতিৰিক্ত ঘৰ নিৰ্মাণৰ লক্ষ্য লোৱা হৈছে। ২০২৪ চনত ৫.৫ লাখৰো অধিক হিতাধিকাৰীৰ বাবে গৃহপ্ৰৱেশ অনুষ্ঠান অনুষ্ঠিত হৈছে, এই ক্ষেত্ৰত চৰকাৰৰ "সকলোৰে বাবে গৃহ নিৰ্মাণ"ৰ প্ৰতি থকা একান্ত নিষ্ঠাকে প্ৰতিফলিত হয়।
- ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ৩,০০০ লাখ টকা আবণ্টন কৰি ২০১৮-১৯ চনত আৰম্ভ হোৱা অসম আদৰ্শ গ্ৰাম যোজনা (Axom Adarxo Gram Yojana)-এ গ্ৰাম্য অসমৰ স্ব-বহনক্ষম উন্নয়নক লাভান্বিত কৰিছে। অসম দৰ্শন আঁচনিৰ অধীনত ধৰ্মীয় স্থানসমূহৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে ২০২৪-২৫

বিত্তীয় বৰ্ষৰ বাবে ১০,০০০ লাখ টকা ধাৰ্য কৰা হৈছে আৰু ৬৯৪ টা নামঘৰৰ বাবে ২,১১৯ লাখ টকা অনুমোদন কৰা হৈছে। ইয়াৰ উপৰি বিধায়ক এলেকা উন্নয়ন আঁচনিখনে স্থানীয় উন্নয়নৰ সবলীকৰণ অব্যাহত ৰাখিছে আৰু প্ৰতিটো সমষ্টিত ১ কোটি টকা আবন্টন দি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ১২৬ কোটি টকা মঞ্জুৰ কৰিছে।

- জল জীৱন অভিযানৰ লক্ষ্য হৈছে প্ৰতিটো গ্ৰাম্য পৰিয়াললৈ কাৰ্যক্ষম ঘৰুৱা টেপ সংযোগ প্ৰদান কৰা, যাৰ ফলত প্ৰতিজন ব্যক্তিৰ বাবে প্ৰতিদিনে ৫৫ লিটাৰ বিশুদ্ধ খোৱাপানী নিশ্চিত কৰা হৈছে৷ অসমে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে আৰু ২০১৯ চনত কভাৰেজ ১.৬%ৰ পৰা ৮১% ৰ ওপৰলৈ বৃদ্ধি কৰি প্ৰায় ৫৮ লাখ পৰিয়ালক উপকৃত কৰিছে। ১৫ হাজাৰৰো অধিক পাইপ পানী যোগান আঁচনি সম্পূৰ্ণ কৰা হৈছে আৰু কাৰ্যকৰী ব্যৱস্থাপনা স্থানীয় সংস্থাসমূহক গতাই দিয়া হৈছে। জল-দূত পদক্ষেপে ৪০,০০০ৰো অধিক ছাত্ৰ-ছাত্ৰীক জল দূত হিচাপে প্ৰশিক্ষণ দিছে, যিয়ে সমূহীয়া মালিকানা আৰু দায়িত্ববোধক লাভান্বিত কৰিছে। অসমৰ এই প্ৰচেষ্টাক জল ব্যৱস্থাপনাত অসাধাৰণ অৱদানৰ বাবে ২০২৪ত

আন্তঃৰাষ্ট্ৰীয় জল সংস্থা বঁটা ব্ৰঞ্জৰ বঁটাৰে স্বীকৃতি দিয়া হয়।

## নগৰ উন্নয়ন

- চৰকাৰে নগৰ উন্নয়নৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে আৰু বহনক্ষমতা, সুলভ মূল্যৰ গৃহ নিৰ্মাণ আৰু নাগৰিকৰ জীৱনৰ মান বৃদ্ধিৰ বাবে আন্তঃগাঁথনিৰ উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বিল্ডিং নিৰ্মাণ বাই ল সংশোধনৰ দৰে পদক্ষেপৰ লক্ষ্য হৈছে উলম্ব সম্প্ৰসাৰণক উৎসাহিত কৰি সমতল উদ্যোগ প্ৰৱৰ্তন কৰি আৰু বৈদ্যুতিক বাহন চাৰ্জিং আন্তঃগাঁথনিৰ দৰে ইন্ধন ৰাহি কৰা পদ্ধতিসমূহ একত্ৰিত কৰি ঔদ্যোগিক বিকাশৰ লক্ষ্য প্ৰাপ্তি কৰা। মুখ্যমন্ত্ৰী সহজ গৃহ নিৰ্মাণ আঁচনিৰ অধীনত ৯ হাজাৰৰো অধিক নিৰ্মাণৰ অনুমতি প্ৰদান কৰা হৈছে, যাৰ ফলত নাগৰিকসকল লাভান্বিত হৈছে।
- গুৱাহাটীৰ পানবজাৰস্থিত পুৰণি চি পি বাংলোটো ব্ৰহ্মপুত্ৰ ৰিভাৰফ্ৰণ্ট বিউটিফিকেশ্বন প্ৰকল্পৰ অধীনত ৬৯.৮৫ কোটি টকা ব্যয় সাপেক্ষে উন্নীতকৰণ কৰা হৈছে। ২০২৪ চনৰ ২০ জানুৱাৰীত মাননীয় কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী শ্ৰী অমিত শ্বাহে উদ্বোধন কৰা

এই প্ৰকল্পটো এতিয়া স্থানীয় লোক আৰু পৰ্যটকৰ বাবে জনপ্ৰিয় আকৰ্ষণৰ কেন্দ্ৰবিন্দু। নগৰ উন্নয়নৰ মাজত এটা সেউজ অঞ্চল প্ৰদানৰ বাবে জি এম ডি এই গুৱাহাটীৰ বৰবাৰী পাহাৰত নগৰীয়া বনাঞ্চল সৃষ্টিৰ বাবে এটা পাইলট প্ৰজেক্ট হাতত লৈছে আৰু বিভিন্ন উদ্যানৰ উন্নয়নৰ কামত অগ্ৰসৰ লাভ কৰা হৈছে। ভৰলুমুখৰ তৰুণ ৰাম ফুকন উদ্যান, শিলপুখুৰী উদ্যান, গীতা মন্দিৰ চৌহদ আৰু ইয়াৰ আশে-পাশে সৌন্দৰ্য্যবৰ্ধন আৰু চান্দমাৰীৰ নিজৰাপাৰত ড° ভূপেন হাজৰিকা সোঁৱৰণী উদ্যান ইয়াৰ ভিতৰত অন্যতম। গুৱাহাটীৰ স্মাৰ্ট চিটি প্ৰকল্পই গান্ধী মণ্ডপ আৰু জজ ফিল্ডৰ দৰে স্থানক সজীৱ কৰি তোলাৰ লগতে বুদ্ধিমত্তাসম্পন্ন নিৰীক্ষণ আৰু ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছে।

- মহানগৰীৰ বানপানী দূৰ কৰিবলৈ জিআইএছ ভিত্তিক বিস্তৃত ষ্টৰ্ম ৱাটাৰ নিষ্কাশন মাষ্টাৰ প্লেনৰ লগতে বাহিনী অৱবাহিকা প্ৰকল্পৰ প্ৰস্তাৱ লোৱা হৈছে, যাৰ আনুমানিক ব্যয় ১৬৬ কোটি টকা। লগতে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজি (এন ডি এম এফ)ৰ অধীনত মহানগৰীৰ বাবে আন এটা ২০০ কোটি টকাৰ প্ৰস্তাৱ ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে।

- আৱৰ্জনা ব্যৱস্থাপনাৰ প্ৰচেষ্টাসমূহৰ ভিতৰত আছে ঘৰে ঘৰে জাবৰ সংগ্ৰহ, লিগেচি আৱৰ্জনা পৰিশোধন আৰু গুৱাহাটীত কাৰ্যকৰী পচন সাৰ আৰু মলমূত্ৰ পৰিশোধন প্লাণ্ট। স্মাৰ্ট লাইটিং প্ৰকল্পই চহৰৰ সুৰক্ষা বৃদ্ধি কৰিছে তথা ২০,০০০ৰো অধিক লাইট স্থাপন কৰা হৈছে আৰু অধিক লাইট স্থাপনৰ কাম চলি আছে। হাজাৰ হাজাৰ পৰিয়ালৰ বাবে পানী সংযোগৰ বাবে ৰাজসাহায্য প্ৰদান কৰা হৈছে, যাৰ ফলত সম্পদৰ বহনক্ষম বিতৰণ বৃদ্ধি হৈছে।
- অম্রুত (AMRUT) মিছনৰ অধীনত নগাঁও, শিলচৰ আৰু ডিব্ৰুগড়ৰ বৃহৎ খোৱাপানী প্ৰকল্প আংশিকভাৱে আৰম্ভ কৰা হৈছে, যাৰ ফলত হাজাৰ হাজাৰ পৰিয়ালক খোৱাপানী যোগান ধৰা হৈছে। ৯৩% সম্পূৰ্ণ হোৱাৰ উপক্ৰম হোৱা জাইকাৰ সহায়ত গুৱাহাটী পানী যোগান প্ৰকল্পই ২০২৫ চনৰ ভিতৰত এক লাখৰো অধিক পৰিয়াল উপকৃত কৰিব।
- গৃহ নিৰ্মাণৰ পদক্ষেপে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। পি এম এ ৱাই(ইউ)ৰ অধীনত ১.১৪ লাখতকৈ অধিক ঘৰ সম্পূৰ্ণ হৈছে আৰু হাজাৰ হাজাৰ লোকে নগৰীয়া গৃহ নিৰ্মাণৰ প্ৰয়োজনীয়তাৰ বাবে আৰ্থিক সাহায্য লাভ কৰিছে। ক্ষুদ্ৰ ব্যৱসায়ীসকলক

শক্তিশালী কৰি পি এম স্বনিধিৰ জৰিয়তে ষ্ট্ৰীট ভেণ্ডৰসকলে ২৫০ কোটিতকৈ অধিক টকাৰ ঋণ লাভ কৰিছে।

**স্বাস্থ্য খণ্ড**

- স্বাস্থ্য খণ্ডত মোৰ চৰকাৰে গ্ৰহণ কৰা উল্লেখযোগ্য প্ৰচেষ্টাসমূহৰ বিষয়ে আপোনালোকক ক'বলৈ পাই মই আনন্দিত হৈছো। উত্তৰ লখিমপুৰ, ধুবুৰী, নগাঁও, নলবাৰী আৰু কোকৰাঝাৰৰ চিকিৎসা মহাবিদ্যালয়সমূহ কাৰ্যক্ষম কৰি তোলা হৈছে। ইতিমধ্যে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় উদ্বোধন কৰা হৈছে। গুৱাহাটীৰ চিকিৎসা আন্তঃগাঁথনি উন্নীত কৰাৰ বাবে কালাপাহাৰৰ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু জি এম চি এইচ চৌহদৰ ৮০০ বিচনাযুক্ত সাধাৰণ চিকিৎসালয়ৰ কাম চলি আছে। ধেমাজি, তামুলপুৰ, গোলাঘাট, বঙাইগাঁও, বিশ্বনাথ, চৰাইদেউ আৰু মৰিগাঁৱত নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে আবণ্টন দিয়া হৈছে আৰু কাম পূৰ্ণগতিত চলি আছে আৰু ইয়াৰ কাম ডিচেম্বৰ ২০২৫ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। শিৱসাগৰ আৰু কৰিমগঞ্জৰ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে

আবণ্টন দিয়া হৈছে আৰু কাম আৰম্ভ হৈছে। গোৱালপাৰা আৰু দৰঙত ২ খন নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

- বৰ্তমানৰ ৬খন চিকিৎসা মহাবিদ্যালয়ত ছুপাৰ-স্পেচিয়েলিটি উইং স্থাপনৰ বাবে জাইকা পুঁজিৰ অধীনত প্ৰকল্প গ্ৰহণ কৰা হৈছে। এপ'ল' আৰু টাটা মেডিকেল চেণ্টাৰৰ পিছতে গুৱাহাটীৰ বাবে প্ৰ'টন থেৰাপী চেণ্টাৰৰ প্ৰস্তাৱ দিয়া হৈছে, যিটো ভাৰতৰ ভিতৰতে তৃতীয়টো কেন্দ্ৰ হ'ব। ই ৰাজ্যখনৰ কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত আন এক মাইলৰ খুঁটি হ'ব। ডিফুৰ কৰ্কট চিকিৎসালয়খন ২০২৫ চনৰ মাৰ্চ মাহৰ ভিতৰত কাৰ্যক্ষম হ'ব, যাৰ ফলত ৰাজ্যখনৰ কৰ্কট চিকিৎসাৰ আন্তঃগাঁথনি আৰু অধিক শক্তিশালী হ'ব।
- ৰাজ্যৰ নাৰ্ছিং শিক্ষাৰ উন্নতিৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত বৰ্তমানৰ নাৰ্চিং মহাবিদ্যালয়সমূহক অত্যাধুনিক আন্তঃগাঁথনিলৈ উন্নীতকৰণৰ সমান্তৰালকৈ ৭খন নতুন নাৰ্ছিং মহাবিদ্যালয় নিৰ্মাণৰ আঁচনিৰ লগতে ৰাষ্ট্ৰীয় আয়ুষ অভিযানৰ অধীনত ৰাজ্যৰ বিভিন্ন স্থানত ৬খন নতুন আয়ুষ চিকিৎসালয় আৰু ২খন আয়ুৰ্বেদিক মহাবিদ্যালয় নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰা হৈছে। বিভিন্ন জিলাৰ ৫ খন আয়ুষ হাস্পতাল আৰু দুধনৈৰ ১ খন

আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে। সম্পদৰ সুষম ব্যৱহাৰ নিশ্চিত কৰিবলৈ এন এইচ এম (প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযান)ৰ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষলৈকে জৰুৰীকালীন, অস্ত্ৰোপচাৰ আৰু ইনটেনচিভ কেয়াৰ সুবিধাৰ সৈতে ২৬ খন ৫০ বা ১০০ বিচনাযুক্ত ক্ৰিটিকেল কেয়াৰ হাস্পতাল ব্ল'কৰ প্ৰস্তাৱো কৰা হৈছে আৰু এনে পাঁচখন ৫০-বিচনাযুক্ত ক্ৰিটিকেল কেয়াৰ হাস্পতাল ব্ল'কৰ কাম হাতত লোৱা হৈছে।

- স্বাস্থ্য বীমাৰ ক্ষেত্ৰত অসমে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে এ বি-পি এম জে এ ৱাই আৰু এ এ-এম এম জে এ ৱাই আঁচনিৰ অধীনত ১২ লাখৰো অধিক হিতাধিকাৰীয়ে নগদধনবিহীন চিকিৎসা লাভ কৰিছে। ৩৭ লাখতকৈ অধিক আয়ুষ্মান কাৰ্ড বিতৰণ কৰা হৈছে আৰু ১,৩২১ কোটি টকাৰ দাবী নিষ্পত্তি কৰা হৈছে। আয়ুষ্মান অসম-মুখ্যমন্ত্ৰী লোক সেৱক আৰোগ্য যোজনাৰ দ্বাৰা চৰকাৰী কৰ্মচাৰী আৰু পেঞ্চনাৰসকলো উপকৃত হৈছে।
- অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনে টাটা ট্ৰাষ্টৰ সৈতে অংশীদাৰিত্বৰে সাতখন কেন্সাৰ কেয়াৰ হাস্পতাল কাৰ্যকৰী কৰিছে আৰু দুখন শেহতীয়াকৈ উদ্বোধন কৰা

হৈছে তথা আন কেইবাখনো নিৰ্মাণৰ কাম চলি আছে। বিস্তৃত কৰ্কট ৰোগ পৰীক্ষা কাৰ্যসূচীয়ে পাঁচ লাখৰো অধিক হিতাধিকাৰীক উপকৃত কৰিছে আৰু ৰোগীক সহায় কৰিবলৈ সম্প্ৰদায়ভিত্তিক প্ৰশমনমূলক সেৱা আৰম্ভ কৰা হৈছে।

- এই পৰিৱৰ্তনশীল প্ৰচেষ্টাসমূহে স্বাস্থ্য সেৱাৰ উন্নতি, সমতাপূৰ্ণ সুবিধা নিশ্চিত কৰা আৰু সকলোৰে বাবে এখন সুস্থ অসম গঢ়ি তোলাৰ প্ৰতি মোৰ চৰকাৰৰ অদম্য প্ৰচেষ্টাক প্ৰতিফলিত কৰে।

**শিক্ষা খণ্ড**

- শিক্ষাই সবলীকৰণক আগুৱাই লৈ যায় আৰু আমাৰ চৰকাৰে সকলো পিছপৰা, আৰ্থিকভাৱে দুৰ্বল, বঞ্চিত সম্প্ৰদায়ক উন্নীত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। গুণগত শিক্ষা আৰু দক্ষতা বিকাশৰ সুবিধা বৃদ্ধিৰ জৰিয়তে চাহ জনজাতি সমাজৰ বাবে শিক্ষা প্ৰদানত যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে। চাহ বাগিচা অঞ্চলৰ ১১৮ খন আদৰ্শ হাইস্কুল আজিলৈকে কাৰ্যকৰী কৰা হৈছে। চাহ বাগিচা অঞ্চলত আৰু ১০০খন আদৰ্শ মাধ্যমিক বিদ্যালয়ৰ প্ৰস্তাৱ দিয়া হৈছে যাৰ ভিতৰত ৯৩খন বিদ্যালয়ৰ বাবে কাম আবণ্টন দিয়া হৈছে।

- ১১ খন নতুন কস্তুৰবা গান্ধী বালিকা বিদ্যালয় মুকলি কৰা হৈছে আৰু আদৰ্শ বিদ্যালয়ক আধুনিকীকৰণৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে।
- ৩৭৯খন বিদ্যালয়ত পি এম এচ্ এইচ আৰ আই আঁচনি ৰূপায়ণ কৰা হৈছে যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে উন্নত সুবিধাৰে উপকৃত হৈছে।
- মই ঘোষণা কৰি সুখী যে আমাৰ চৰকাৰে ২০০৬ চনত জাৰি কৰা নিৰ্দেশনাসমূহ মানি চলি বিদ্যালয়সমূহক প্ৰাদেশিকীকৰণৰ বাবে এই পবিত্ৰ সদনত এখন আইন আনিবলৈ প্ৰচেষ্টা চলাইছে। ই উপযুক্ত বিদ্যালয়সমূহক উপকৃত কৰিব যাতে ৰাজ্যখনৰ প্ৰাথমিক শিক্ষা ব্যৱস্থা অধিক শক্তিশালী হয়।
- পি এম পোষণৰ অধীনত ৩১.৭৫ লাখ শিশুৱে পুষ্টিকৰ আহাৰ লাভ কৰিছে, আৰু এটা বিশেষ পদক্ষেপে চাহ বাগিচা আৰু চৰ অঞ্চলৰ ৪.৫ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীৰ বাবে সাপ্তাহিকভাৱে অতিৰিক্ত কণীৰ যোগান নিশ্চিত কৰিছে। অন্তৰ্ভুক্তিকৰণ কাৰ্যসূচীসমূহে পৰিবহণ ভাড়া, ষ্টাইপেণ্ড আৰু পাঠদান সামগ্ৰীৰ জৰিয়তে বিশেষভাৱে সক্ষম শিশুসকলক সহায় কৰিছে।

- চৰকাৰে সংখ্যালঘু কেন্দ্ৰীভূত অঞ্চলত ৯খন মহিলা মহাবিদ্যালয় আৰু ২১খন আদৰ্শ আৱাসিক বিদ্যালয় স্থাপন কৰি আছে।
- ৭খন নতুন বিশ্ববিদ্যালয় নিৰ্মাণ পৰ্যায়ত আছে আৰু ২০২৫ চনৰ ভিতৰত নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব। বিশ্ববিদ্যালয়লৈ উন্নীত হ'বলগীয়া ৮খন মহাবিদ্যালয়ৰ ভিতৰত ৫খন মহাবিদ্যালয়ৰ বাবে আবণ্টন প্ৰক্ৰিয়া অতি সোনকালে আৰম্ভ হ'ব আৰু বাকীবোৰ ডিপিআৰ প্ৰস্তুতি প্ৰক্ৰিয়াত আছে।
- প্ৰতিটো বিধানসভা সমষ্টিত ১২৬খন মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ কাম হাতত লোৱা হৈছে।
- শৈক্ষিক উৎকৰ্ষতাৰ বাবে ৩৫,৭৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক স্কুটাৰ বিতৰণ কৰা হৈছে৷ আনহাতে মাচুল ৰেহাই আৰু জলপানিৰ ফলত প্ৰায় ৯৫,০০০ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে।
- “মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি” কাৰ্যসূচীৰ অধীনত ১.৬৬ লাখ ছাত্ৰীয়ে মাহেকীয়া আৰ্থিক সহায় লাভ কৰিছে, যিয়ে মোৰ চৰকাৰৰ সৰ্বাংগীন শিক্ষাৰ প্ৰতি দায়বদ্ধতাক প্ৰতিফলিত কৰিছে।

- বিভিন্ন জিলাৰ আন ১১৫খন বিদ্যালয় ড'নাৰ মন্ত্ৰালয়ৰ এন ই এছ আই ডি আঁচনিৰ অধীনত গ্ৰহণ কৰা হৈছে যাৰ ভিতৰত ৫০ খন বিদ্যালয়ৰ বাবে কাম আবন্টন দিয়া হৈছে। পি এম-ডিভাইন আঁচনিৰ অধীনত ২০ খন এইচ এছ স্কুলক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে ৰূপান্তৰিত কৰাৰ কাম চলি আছে।
- অসমৰ বিভিন্ন স্থানত দহখন আইন মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম চলি আছে আৰু ইয়াৰে দুখন ৰঙিয়া আৰু তেজপুৰত ইতিমধ্যে উদ্বোধন কৰা হৈছে।
- তিতাবৰৰ এখন কলেজ অৱ চেৰিকালচাৰ মহাবিদ্যালয়ৰ কাম হাতত লোৱা হৈছে আৰু ইয়াৰ কাম আৰম্ভ কৰা হৈছে। ১৫খন চৰকাৰী আদৰ্শ ডিগ্ৰী মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে আৰু ইয়াৰে ৪খন মহাবিদ্যালয়ৰ কাম নিৰ্মাণ পৰ্যায়ত আছে আৰু ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।
- শুৱালকুছি, বিহালী, বঙাইগাঁও, চামগুৰি, নলবাৰী আৰু ওদালগুৰিত ছখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম চলি আছে আৰু ই সম্পূৰ্ণ হোৱাৰ পথত।
- টাটা টেকন'লজিছ লিমিটেডৰ সহযোগত ৩৪টা পলিটেকনিক আৰু ৪৩খন আইটিআইক 'চেন্টাৰ অৱ

এক্সেলেন্স'লৈ উন্নীতকৰণৰ প্ৰস্তাৱ দিয়া হৈছে যাৰ ভিতৰত ২২খন পলিটেকনিক আৰু ৩৯খন আই টি আইৰ উন্নীতকৰণ চলি আছে।

- ছাত্ৰ-ছাত্ৰীৰ কল্যাণক অগ্ৰাধিকাৰ দিয়া হৈছে আৰু ৪৪.৫৬ লাখ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া ইউনিফৰ্ম আৰু ৩.২৩ লাখ ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰা হৈছে।
- হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫%ৰ ওপৰত নম্বৰ পোৱা ২৬,৯০০ৰো অধিক ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা নগদ বঁটাৰ অধীনত ১২,৫০০ টকাকৈ প্ৰদান কৰা হৈছে।
- দ্বিভাষিক পাঠ্যপুথি আৰু বহুভাষিক পাঠদান সামগ্ৰীয়ে অন্তৰ্ভুক্তিকৰণ আৰু সহজলভ্যতা বৃদ্ধি কৰিছে।
- মোৰ চৰকাৰে জলপানি বিতৰণৰ প্ৰসাৰ, দক্ষতা প্ৰশিক্ষণ কাৰ্যসূচী আৰু বিজ্ঞান তথা গণিতৰ দ্বিভাষিক পাঠ্যপুথি অধিক গ্ৰেডলৈ সম্প্ৰসাৰণ কৰাত গুৰুত্ব আৰোপ কৰিছে। এই প্ৰচেষ্টাসমূহৰ জৰিয়তে অসমে এক প্ৰগতিশীল, সমতাপূৰ্ণ, আৰু সৰ্বাংগীন শিক্ষা ব্যৱস্থা গঢ়ি তুলিছে। ইয়াৰ ফলত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক জ্ঞান, দক্ষতা, আৰু সৰ্বাংগীন বিকাশৰ সুযোগেৰে সবলীকৰণ কৰা হৈছে।

## পথ আৰু আভ্যন্তৰীণ জল পৰিবহণ আৰু ঘাইপথ

- মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসমৰ ঘাইপথ নেটৱৰ্কে উল্লেখযোগ্য উন্নয়ন লাভ কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথে ৰাজ্যখনৰ ৪০০০ কিলোমিটাৰ সামৰি লৈছে। ইয়াৰে ১,৮৫৮ কিলোমিটাৰ অসম পাব্লিক ৱৰ্কছৰ অধীনত পৰে, আনহাতে আন কিছুমান এনএইচএআই, এনএইচআইডিচিএল, আৰু অন্যান্য সংস্থাই পৰিচালনা কৰে। পথ সুৰক্ষা বৃদ্ধিৰ বাবে ক্ৰেছ বেৰিয়াৰ, পথৰ চিন, গতি ৰোধক স্থাপনৰ দৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে।
- পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে অনুমোদন জনোৱা উল্লেখযোগ্য প্ৰকল্পসমূহৰ ভিতৰত হৈছে-মাজুলী দলং এপ্ৰ'চ ৰোড আৰু গৌৰীপুৰ বাইপাছ। ইয়াৰ বাবে মুঠ আবন্টন প্ৰায় ১০০০ কোটি টকা। ২০২৪-২৫ চনৰ ৮,০৫৫ কোটি টকাৰ বাৰ্ষিক পৰিকল্পনাই ৰাষ্ট্ৰীয় ঘাইপথ ৭১৫এৰ দ্বৈতলেনকৰণ আৰু ১২৭চি ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীতকৰণৰ দৰে গুৰুত্বপূৰ্ণ পদক্ষেপ অন্তৰ্ভুক্ত কৰে। চোৱা-চিতা আৰু বিশেষ মেৰামতিকো অগ্ৰাধিকাৰ দিয়া হৈছে।
- মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি ৰূপায়ণৰ ফলত ১,৬৯৪ কিলোমিটাৰ পথৰ কাম সম্পূৰ্ণ হৈছে আৰু ৫,৮০০ কিলোমিটাৰতকৈ অধিক পথৰ কাম চলি

আছে। নগৰীয়া পকীপথ নিৰ্মাণ আঁচনিৰ অন্তৰ্গত নগৰীয়া পথ আৰু অসম স্থিতিস্থাপক গ্ৰাম্য দলং প্ৰকল্পৰ অন্তৰ্গত গ্ৰাম্য দলঙৰ কাম দ্ৰুতগতিত আগবাঢ়িছে। ব্ৰহ্মপুত্ৰৰ ওপৰত মাইলৰ খুঁটি স্বৰূপ পলাশবাৰী-শুৱালকুছি দলং, গুৱাহাটী-উত্তৰ গুৱাহাটী দলং নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পথত। তদুপৰি মোৰ চৰকাৰে PMGSY, Asom Mala 2.0, আৰু NABARD ৰ সাহায্যপ্ৰাপ্ত পদক্ষেপৰ অধীনত পথৰ আন্তঃগাঁথনিৰ সুষম উন্নয়নৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। ই চাহ বাগিচাৰ শ্ৰমিককে ধৰি সকলোৰে বাবে সংযোগ আৰু জীৱনৰ মানদণ্ড উন্নত কৰাটো নিশ্চিত কৰিছে।

- মা কামাখ্যা কৰিডৰৰ দৰে ৰূপান্তৰকাৰী পদক্ষেপৰ বাবে PM-DevINE ৰ অধীনত ১,৪০০ কোটিতকৈ অধিক ধন আবণ্টন দিয়া হৈছে।
- ডিলাৰশ্বিপ পইণ্টত বাহন পঞ্জীয়ন আৰু স্বচ্ছ চিএম-ট্ৰান্স ব্যৱস্থাই প্ৰক্ৰিয়াসমূহ সুশৃংখলিত কৰিছে, যাৰ ফলত মধ্যভোগীৰ হস্তক্ষেপ হ্ৰাস পাইছে। বাহন স্ক্ৰেপেজ নীতিয়ে পুৰণি বাহনসমূহ নিৰাপদে ভাঙি পেলাবলৈ উৎসাহিত কৰিছে। ইতিমধ্যে ৬,৭০০ৰো অধিক বাহন ভাঙি পেলোৱা হৈছে, আৰু প্ৰদূষণকাৰী বাহনৰ ব্যৱহাৰ নিৰুৎসাহিত কৰিবলৈ সেউজ কৰ প্ৰৱৰ্তন কৰা হৈছে।

বৈদ্যুতিক বাহন গ্ৰহণৰ বাবেও উদগণিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলত পৰিৱেশ অনুকূল পৰিবহণৰ প্ৰসাৰ ঘটিছে। সুবিধা নিশ্চিত কৰিবলৈ ৫৬টা কন্টাক্টলেছ অনলাইন সেৱা আৰম্ভ কৰা হৈছে যাৰ ফলত কাৰ্যালয়লৈ যোৱাৰ প্ৰয়োজনীয়তা নাইকিয়া হৈছে।

- অভ্যন্তৰীণ জল পৰিবহণে নিশাৰ নেভিগেচন ব্যৱস্থা, আধুনিক টাৰ্মিনেল আৰু নৌ বাহিনীৰ আধুনিকীকৰণৰ জৰিয়তে গুৰুত্বপূৰ্ণ উন্নতি সাধন কৰিছে আৰু ই ২০খন ষ্টীল কেটামাৰানোৰ অন্তৰ্ভুক্তিক সামৰি লয়। জীৱনডিঙা আঁচনিৰ জৰিয়তে ফেৰীসমূহক মেৰিন ইঞ্জিনেৰে সজ্জিত কৰা হৈছে, যাৰ ফলত সুৰক্ষা আৰু কাৰ্যক্ষমতা বৃদ্ধি পাইছে।
- নতুন চাৰ্জিং আন্তঃগাঁথনিৰ সহায়ত গুৱাহাটী আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলত ২০০খন বৈদ্যুতিক বাছ মোতায়েন কৰি ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ ৰূপান্তৰ কৰা হৈছে। ফিটনেছ প্ৰমাণপত্ৰৰ স্বচ্ছতা নিশ্চিত কৰিবলৈ যান-বাহনৰ বাবে স্বয়ংক্ৰিয় পৰীক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

## নিশ্চিত বিদ্যুৎ যোগান আৰু শক্তি আন্তঃগাঁথনিৰ উন্নয়ন

- অসমৰ শক্তি খণ্ডই যথেষ্ট অগ্ৰগতি লাভ কৰিছে। তিনিওটা ৰাজ্যিক প্ৰতিষ্ঠান-আছাম জেনকো (এপিজিচিএল), আছাম ট্ৰেন্সকো (এইজিচিএল), আৰু আছাম ডিস্কম (এপিডিচিএল)-এ লাভৰ লগতে প্ৰায় ২০,০০০ কোটি টকাৰ সামগ্ৰিক মুঠ মূল্যায়নৰ প্ৰতিবেদন দিছে। যোৱা তিনি বছৰ ধৰি এপিডিচিএলে প্ৰায় ২৪ ঘণ্টীয়া বিদ্যুৎ যোগান অব্যাহত ৰাখিছে।
- চৰকাৰে এই খণ্ডটোক আধুনিকীকৰণৰ বাবে প্ৰায় ৩০,০০০ কোটি টকা বিনিয়োগ কৰিছে, ২০০ৰো অধিক উপকেন্দ্ৰ আৰু ১৭,০০০ কিলোমিটাৰ বিদ্যুৎ পৰিবাহী লাইন নিৰ্মাণ কৰিছে। অসম আন্তঃৰাজ্যিক সংবহন ব্যৱস্থা বৰ্ধন প্ৰকল্পৰ অধীনত ৩৭টা নতুন গ্ৰীড উপকেন্দ্ৰৰ সৈতে সংবহন ক্ষমতা ৪৫০০ এমভিএৰ পৰা ১৫,০০০ এমভিএলৈ বৃদ্ধি কৰা হৈছে, যাৰ ফলত ৰাজ্যখনে ২০২৬-২৭ চনৰ ভিতৰত ৪,২৭২ মেগাৱাট লোড পৰিচালনা কৰিব পাৰিব আৰু সংবহনৰ লোকচান ৩%ৰ তললৈ হ্ৰাস কৰিব পাৰিব। বিদ্যুৎ উৎপাদনৰ অগ্ৰগতিৰ ভিতৰত ২০২৫ চনৰ জুন মাহৰ ভিতৰত কাৰ্যক্ষম হ'বলগীয়া ১২০ মেগাৱাটৰ নিম্ন কপিলী জল বৈদ্যুতিক প্ৰকল্প আৰু ২৫ মেগাৱাটৰ

নামৰূপ সৌৰশক্তি প্ৰকল্প আদি অন্তৰ্ভুক্ত। সেউজ শক্তিৰ প্ৰতি ৰাজ্যৰ প্ৰতিশ্ৰুতিৰ অংশ হিচাপে ৬৫০০ মেগাৱাট নৱীকৰণযোগ্য শক্তিৰ পৰিকল্পনাও কৰা হৈছে।

**বহল পৰিসৰত বনানীকৰণ, সংৰক্ষণ আৰু পৰিৱেশ সুৰক্ষাঃ**

- অসম চৰকাৰে পৰিৱেশ বহনক্ষমতাৰ প্ৰতি থকা দায়বদ্ধতা পালন কৰি অসম বৃক্ষআন্দোলন, ২০২৪ আৰম্ভ কৰি সমগ্ৰ ৰাজ্যতে ৩ কোটিৰো অধিক বাণিজ্যিক প্ৰজাতিৰ গছ পুলি সফলতাৰে ৰোপণ কৰে। এই ৰূপান্তৰকাৰী পদক্ষেপ স্থানীয় জনগোষ্ঠী, কৃষক, আত্মসহায়ক গোট, বেচৰকাৰী সংস্থা, আৰু বিভিন্ন বিভাগৰ সক্ৰিয় অংশগ্ৰহণেৰে গ্ৰহণ কৰা হৈছিল। এই সফলতাৰ ওপৰত ভিত্তি কৰি চৰকাৰে আগন্তুক অসম বৃক্ষআন্দোলন, ২০২৫ৰ বাবে ৰাজ্যজুৰি ৬.৫ কোটি পুলি ৰোপনৰ প্ৰস্তাৱ আগবঢ়াইছে।
- অসম ৰাজ্যিক চিৰিয়াখানা আধুনিকীকৰণ আৰু উন্নীতকৰণৰ বাবে মুঠ ৩৬২ কোটি টকাৰ বাজেটেৰে এক অভিলাষী প্ৰকল্প অনুমোদন কৰা হৈছে। তদুপৰি চৰকাৰে ডিব্ৰুগড় জিলাৰ নামদাং সংৰক্ষিত বনাঞ্চলত বন্যপ্ৰাণী ছাফাৰী তথা উদ্ধাৰ কেন্দ্ৰ স্থাপন কৰিছে। ১৫০ হেক্টৰ ভূমিত বিস্তৃত এই প্ৰকল্পটো বন্যপ্ৰাণী

সংৰক্ষণ আৰু পৰ্যটনৰ এক প্ৰধান কেন্দ্ৰ হিচাপে পৰিগণিত হ'বলৈ সাজু হৈছে।

- বন সম্পৰ্কীয় তথ্যসমূহ ডিজিটেলাইজ কৰিবলৈ চৰকাৰে জি আই এছ ভিত্তিক বন ব্যৱস্থাপনা তথ্য ব্যৱস্থা (এফ এম আই এছ)ও প্ৰস্তুত কৰি আছে। বন্যপ্ৰাণীৰ গতিবিধি অনুসৰণ, উন্নত নিৰীক্ষণ আৰু সিদ্ধান্ত গ্ৰহণৰ বাবে গছপুলি ৰোপন ব্যৱস্থাপনা আদি তথ্যক ই সামৰি লয়। এই ব্যৱস্থাৰ উল্লেখযোগ্য দিশসমূহৰ ভিতৰত আছে ডিফৰেষ্টেচন ৱাটছ, যিটো এক কৃত্ৰিম বুদ্ধিমত্তা ভিত্তিক সতৰ্কীকৰণ ব্যৱস্থা যিয়ে গছ কটা অঞ্চল চিনাক্ত কৰিবলৈ উপগ্ৰহৰ চিত্ৰ ব্যৱহাৰ কৰে।
- আৱৰ্জনা ব্যৱস্থাপনাৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ ব'ৰ্ডে তিনিটা উমৈহতীয়া জৈৱ চিকিৎসা আৱৰ্জনা পৰিশোধন ব্যৱস্থা আৰু বিপজ্জনক আৱৰ্জনা পৰিশোধন, সংৰক্ষণ আৰু নিষ্কাশন ব্যৱস্থা স্থাপনকে ধৰি বহনক্ষম পদ্ধতিসমূহক প্ৰসাৰিত কৰিছে। এটা লিগেচি আৱৰ্জনা পৰিশোধন প্ৰকল্প ৰূপায়ণ কৰা হৈছে আৰু আৱৰ্জনা হ্ৰাস আৰু উৎস পৃথকীকৰণক প্ৰসাৰিত কৰাৰ ওপৰত জনসজাগতা অভিযান চলি আছে।

- জলাশয় সজীৱ কৰাৰ প্ৰচেষ্টাইও উল্লেখযোগ্য ফলাফল দিছে আৰু কাৰ্য পৰিকল্পনাৰ অধীনত ৩৫খন প্ৰদূষিত নদীৰ অংশ সফলতাৰে পুনৰুদ্ধাৰ কৰা হৈছে।

## ভূমি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা

- মিছন বসুন্ধৰাৰ সফলতাৰ পৰা অনুপ্ৰাণিত হৈ মোৰ চৰকাৰে ২০২৪ চনৰ অক্টোবৰ মাহত মিছন বসুন্ধৰা ৩.০ আৰম্ভ কৰিছিল, য'ত ন্যায়িক সত্তাসমূহৰ বাবে ভূমি বন্দোৱস্তী, ভূদন/গ্ৰামদান ভূমিৰ বাবে ডিজিটেলাইজড প্ৰক্ৰিয়া, দখলদাৰী ভাড়াতীয়াৰ বাবে নগৰীয়া মালিকীস্বত্বৰ অধিকাৰ, আৰু ভূমি পুনৰ শ্ৰেণীবিভাজনৰ দৰে নতুন সেৱা প্ৰৱৰ্তন কৰা হৈছিল। এই পদক্ষেপে অধিক কাৰ্যক্ষম ভূমি ব্যৱস্থাপনা আৰু অধিক স্বচ্ছতা নিশ্চিত কৰে। ইয়াৰ উপৰিও ই-খাজানাই ভূমি ৰাজহৰ পৰিশোধ সুশৃংখলিত কৰিছে, যাৰ ফলত নাগৰিকে একাধিক প্লেটফৰ্মৰ জৰিয়তে অনলাইনত ধন পৰিশোধ কৰিব পাৰে আৰু ইয়াৰ ফলত সুবিধা আৰু দায়বদ্ধতা বৃদ্ধি পাইছে।
- ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা কাৰ্যক্ষম হৈ থকা ৰাষ্ট্ৰীয় জেনেৰিক নথিপত্ৰ পঞ্জীয়ন ব্যৱস্থাই (এন জি ডি আৰ এছ) ব্যৱহাৰকাৰীৰ বাবে সুবিধাজনক স্বচ্ছ

আৰু প্ৰামাণিক ডিজিটেল প্লেটফৰ্মৰ সৈতে সম্পত্তি পঞ্জীয়নক আধুনিকীকৰণ কৰিছে। এই পদক্ষেপে জালিয়াতিৰ আশংকা বহু পৰিমাণে হ্ৰাস কৰিছে আৰু নাগৰিক আৰু বিষয়াসকলৰ বাবে পদ্ধতি সৰলীকৃত কৰিছে।

- বান সাহায্য, পুনৰ্বাসন আৰু ক্ষতিগ্ৰস্ত আন্তঃগাঁথনি পুনৰুদ্ধাৰৰ বাবে ৪৩৪ কোটি টকাতকৈ অধিক আৰ্থিক সাহায্য মুকলি কৰা হয়। শস্যৰ ক্ষতি, কাৰুশিল্পীক সহায়, হিংসাৰ বলি হোৱা লোকৰ বাবে অতিৰিক্ত সাহায্য প্ৰদান কৰা হৈছিল। এই পদক্ষেপসমূহে স্থিতিস্থাপকতা আৰু কল্যাণৰ প্ৰতি আমাৰ অটল দায়বদ্ধতাক উজ্জ্বল কৰি তুলিছে।
- বানপানী আৰু নদী খহনীয়া অসমৰ বাবে দীৰ্ঘদিন ধৰি উল্লেখযোগ্য প্ৰত্যাহ্বান হৈ আহিছে। নিষ্ঠাবান প্ৰচেষ্টা আৰু উদ্ভাৱনী ব্যৱস্থাৰ জৰিয়তে চৰকাৰে এই সমস্যাসমূহ লাঘৱ কৰাৰ লগতে স্থিতিস্থাপকতা বৃদ্ধিৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে।
- বছৰ বছৰ ধৰি ১৬.৫ লাখ হেক্টৰতকৈও অধিক বানপানী প্ৰৱণ ভূমি সুৰক্ষিত কৰা হৈছে আৰু ৪,৫০০ কিলোমিটাৰতকৈ অধিক মথাউৰি, ১২৮০টা খহনীয়া প্ৰতিৰোধী কাম আৰু ৬৬৭ খন শ্লুইচ গেট নিৰ্মাণ

কৰা হৈছে। ২০২১ চনৰ পৰা ২০২৪ চনৰ ভিতৰত শেহতীয়াকৈ প্ৰায় ৩৪০০ কোটি টকা ব্যয় কৰা প্ৰকল্পসমূহে ৪৪০ কিলোমিটাৰতকৈ অধিক বৰ্তমানে থকা ডাইক শক্তিশালী কৰিছে, ১৮৯ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰিছে, আৰু ২১৭ কিলোমিটাৰ খহনীয়া সুৰক্ষাৰ কাম ৰূপায়ণ কৰিছে।

- উন্নত জিঅ'-টিউব প্ৰযুক্তি ব্যৱহাৰ কৰি ২০২৪ চনত আঠখন জিলাত মথাউৰি ভঙাৰ বিৰুদ্ধে দ্ৰুত সহাৰিয়ে বানপানীৰ ক্ষতি কম কৰিছিল। ইয়াৰ উপৰিও ৪৪ কোটি টকা মূল্যৰ গুৰুত্বপূৰ্ণ বান প্ৰতিৰোধী সামগ্ৰী ক্ৰয়ে প্ৰস্তুতি অধিক উন্নত কৰিছে আৰু ক্ষয়-ক্ষতি হ্ৰাস কৰিছে। বিশ্ব বেংকৰ পুঁজিৰে অসম সংহত নদী অৱবাহিকা ব্যৱস্থাপনা কাৰ্যসূচী (৪০০০ কোটি টকা) আৰু জলবায়ু স্থিতিস্থাপক ব্ৰহ্মপুত্ৰ প্ৰকল্প (৩০০০ কোটি টকা)ৰ দৰে গুৰুত্বপূৰ্ণ পদক্ষেপসমূহে গুৰুত্বপূৰ্ণ নদী আৰু জিলাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি বান আৰু গৰাখহনীয়া ব্যৱস্থাপনাৰ দীৰ্ঘম্যাদী সমাধানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। । সক্ৰিয় সঁহাৰিৰ বাবে ৰিয়েল টাইম বানপানীৰ পূৰ্বাভাস আৰু সম্পত্তি ব্যৱস্থাপনাৰ দৰে উন্নত ব্যৱস্থা বিকশিত কৰা হৈছে।

- ২০২৪–২৫ বৰ্ষৰ বাবে ২১২ কিলোমিটাৰ নতুন মথাউৰিকে ধৰি ৩১৯ কোটি টকাৰ ৩৫খন নতুন আঁচনি প্ৰস্তাৱ কৰা হৈছে, যিয়ে অসমক প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা কৰাৰ বাবে চৰকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰিছে।
- প্ৰাকৃতিক দুৰ্যোগ, জৰুৰীকালীন চিকিৎসা, দৰিদ্ৰতা আৰু অন্যান্য গুৰুত্বপূৰ্ণ দুৰ্ঘটনাৰ দ্বাৰা ক্ষতিগ্ৰস্ত ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহক সহায় কৰিবলৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিয়ে মাননীয় মুখ্যমন্ত্ৰীৰ বিবেচনা অনুসৰি আৰ্থিক সাহায্য প্ৰদান কৰে। ২০২১ চনৰ মে’ মাহৰ পৰা ২০২৪ চনৰ জানুৱাৰীলৈকে প্ৰায় ২.৮ লাখ হিতাধিকাৰীক প্ৰায় ৩৩০ কোটি টকা প্ৰদান কৰা হৈছিল, য’ত ২০২৪–২৫ চনত প্ৰায় ৩১,৫০০ হিতাধিকাৰীক ৩৫ কোটি টকাও প্ৰদান কৰা হৈছিল।
- ২০২২–২৩ চনত আৰম্ভ হোৱা মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰীকালীন আঁচনিখনে দুৰ্যোগ, দুৰ্ঘটনা বা সংঘাতৰ বলি হোৱা লোকসকলক সহায় কৰে আৰু সাংস্কৃতিক, শৈক্ষিক, আৰু ক্ৰীড়াৰ কৃতিত্বক প্ৰসাৰিত কৰে। এতিয়ালৈকে এই আঁচনিৰ অধীনত প্ৰায় ৩,১০০ হিতাধিকাৰীক প্ৰায় ৩৮ কোটি টকা বিতৰণ কৰা হৈছে।

## বড়োলেণ্ড আঞ্চলিক এলেকা (বি টি আৰ),কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ (কেএএচি) আৰু উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চল স্বায়ত্তশাসিত পৰিষদ (এনচিএইচএচি)কল্যাণ

- বড়োলেণ্ড আঞ্চলিক এলেকা (বিটিআৰ) আন্তঃগাঁথনি উন্নয়ন আৰু কল্যাণমূলক পদক্ষেপৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। গুডৱিল অভিযানৰ অধীনত বিটিআৰে ২০২২-২৩ চনৰ পৰা ৭০০ কিলোমিটাৰতকৈ অধিক যিকোনো বতৰ উপযোগী পথ আৰু মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণ আঁচনিৰ অধীনত ৪০০ কিলোমিটাৰ পথ নিৰ্মাণ সম্পূৰ্ণ কৰিছে। ৪৬ বছৰ ধৰি চলি থকা ধনশিৰি জলসিঞ্চন প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ ফলত ৭৫খন গাঁও আৰু ৩২ হাজাৰ কৃষক পৰিয়াল উপকৃত হৈছে, যাৰ ফলত অতিৰিক্ত ১৬,০০০+ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা সম্ভৱ হৈছে। বিশেষ উন্নয়ন পেকেজৰ অধীনত অঞ্চলটোৱে ৭৫০ কোটি টকাৰ ভিতৰত ২৬০ কোটিতকৈ অধিক ধন লাভ কৰে অঞ্চলটোৱে আৰু বাকী ধনৰাশি আগতীয়া অনুমোদনৰ পৰ্যায়ত আছে।
- বি টি আৰ চুক্তি অনুসৰি ৬৬০০ৰো অধিক প্ৰাক্তন NDFB কেডাৰক অনুদানৰ জৰিয়তে আৰ্থ-সামাজিক পুনৰ সংস্থাপন প্ৰদান কৰা হৈছে। কেডাৰ সকলৰ

বিৰুদ্ধে থকা ২৭৪টাতকৈ অধিক গোচৰ প্ৰত্যাহাৰ কৰা হৈছে। সময়ে সময়ে শ্বহীদ পৰিয়ালক এককালীন সাহায্য প্ৰদান কৰা হৈছে।

- কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ বাবে ২০২৪–২৫ চনত গান্ধী পাৰ্কৰ পৰা অসম বিশ্ববিদ্যালয়লৈ চাৰিলেনযুক্ত পথ, টাটা ট্ৰাষ্টৰ সৈতে অংশীদাৰিত্বৰে কৰ্কট চিকিৎসালয়, আন্তঃৰাজ্যিক বাছ টাৰ্মিনাছ আদি পদক্ষেপৰ বাবে ৬০০ কোটি টকা আবণ্টন দিয়া হৈছে। আগন্তুক প্ৰকল্পসমূহৰ ভিতৰত আছে আদা আৰু হালধি প্ৰক্ৰিয়াকৰণ প্লাণ্ট, গ্ৰাম্য পুথিভঁৰাল আৰু আদৰ্শ বিদ্যালয়ৰ বাবে পানী যোগান আঁচনি।
- উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ বাবে (এনচিএইচএচি) লংকাৰ পৰা উমৰাংছ’ আৰু মাহুৰৰ পৰা টামেংলংলৈকে মূল পথ প্ৰকল্পসমূহৰ লক্ষ্য হৈছে সংযোগ উন্নত কৰা। উন্নয়নৰ পদক্ষেপসমূহৰ ভিতৰত বিনোদন কেন্দ্ৰ, বিদ্যালয় ভৱন, আৰু স্বাস্থ্যসেৱা উন্নয়ন আদি অন্যতম। বিনামূলীয়া বাছ সেৱা, দক্ষতা বিকাশ কেন্দ্ৰ, চিকিৎসাৰ ক্ষেত্ৰত আৰ্থিক সাহায্য আদি উদ্ভাৱনীমূলক আঁচনি প্ৰৱৰ্তন কৰা হৈছে।

**চাহ জনজাতি, আদিবাসী আৰু জনজাতীয় কল্যাণঃ-**

- অসমৰ প্ৰায় ১৭% জনসংখ্যাৰে গঠিত চাহ জনজাতি আৰু আদিবাসী জনগোষ্ঠী বৃহত্তৰ অসমীয়া সমাজৰ অবিচ্ছেদ্য অংগ আৰু তেওঁলোকে ৰাজ্যৰ সামাজিক সংগঠনত বিপুল অৱদান আগবঢ়াইছে। মোৰ চৰকাৰে চাহ জনজাতি আৰু আদিবাসী জনগোষ্ঠীৰ শাৰীৰিক, বৌদ্ধিক আৰু আৰ্থ-সামাজিক উন্নয়নৰ বাবে কল্যাণমূলক আঁচনিসমূহ সবলভাৱে চলাইছে। চাহ জনজাতি আৰু আদিবাসী জনগোষ্ঠীৰ মাজত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীক পাঠ্যক্ৰমৰ ওপৰত নিৰ্ভৰ কৰি নূন্যতম ৩০০০ টকাৰ পৰা আৰম্ভ কৰি সৰ্বাধিক ৩৫,০০০ টকালৈ জলপানি প্ৰদান কৰি আহিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত মুঠ ৬৭,৫৭০ খন আবেদন বিভিন্ন জলপানি আঁচনিৰ Pre/Post-Matric scholarship, Simon Sing Horo Special Post-Matric Scholarship ইত্যাদিৰ বাবে লাভ কৰা হৈছে যেনে- চলিত বিত্তীয় বৰ্ষ ২০২৪-২৫ত বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণৰ বাবে ৫৫ ছাত্ৰ-ছাত্ৰীক নিৰ্বাচিত কৰা হৈছে।

- চাহ জনজাতি আৰু আদিবাসী জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে মোৰ চৰকাৰে কাজিৰঙাত "অসম চাহ জনগোষ্ঠী সমন্বয় কলাক্ষেত্ৰ" নিৰ্মাণৰ প্ৰস্তাৱ আগবঢ়াইছে। ইয়াৰ উপৰিও চাহ বাগিচাসমূহত ৫০০টা "মহাপ্ৰভু জগন্নাথ কমিউনিটি হল তথা দক্ষতা কেন্দ্ৰ" স্থাপনৰ বাবে ৭৫০ কোটি টকাৰ এক অভিলাষী আঁচনি চলি আছে। ১.৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া এই কেন্দ্ৰসমূহে সাংস্কৃতিক অনুষ্ঠান, দক্ষতা বিকাশ আৰু সামূহিক কাৰ্য্যকলাপৰ স্থান হিচাপে কাম কৰিব। লোক নিৰ্মাণ বিভাগৰ অধীনত নিৰ্মাণৰ কাম চলি আছে।
- চাহ জনজাতি আৰু আদিবাসী যুৱক-যুৱতীসকলৰ মাজত ক্ৰীড়াৰ প্ৰসাৰ আমাৰ এক অগ্ৰাধিকাৰ। ৰঙাপাৰা (শোণিতপুৰ) আৰু ছোটা টিংৰাই (তিনিচুকীয়া)ত ল'ৰাৰ বাবে ফুটবল একাডেমী নিৰ্মাণ কৰি থকা হৈছে। আনহাতে সোণাৰি (চৰাইদেউ)ত ছোৱালীৰ বাবে এখন আৰ্চাৰী একাডেমী নিৰ্মাণ কৰা হ'ব।২০২৩-২৪ চনত যুৱ প্ৰতিভাক আগুৱাই নিবলৈ মুখ্যমন্ত্ৰীৰ চাহ জনজাতি আৰু আদিবাসী ১৯ বছৰ অনূৰ্ধ ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

- এই সম্প্ৰদায়ৰ বাবে সংৰক্ষিত চিকিৎসা আসন ২৭ৰ পৰা ৩০লৈ বৃদ্ধি কৰা হৈছে, আৰু তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ ৰাজ্য চৰকাৰৰ পদৰ বাবে অ'বিচি কোটাৰ ভিতৰত ৩% চাকৰি সংৰক্ষণ নিশ্চিত কৰা হৈছে।

**সামাজিক ন্যায় আৰু সংখ্যালঘু পৰিক্ৰমাঃ-**

- সৰ্বাংগীন উন্নয়ন আৰু সামাজিক সবলীকৰণ নিশ্চিত কৰাটো চৰকাৰখনৰ মূল লক্ষ্য। দিব্যাংগ, জ্যেষ্ঠ নাগৰিক, তৃতীয় লিংগ আৰু সমাজৰ উপান্ত শ্ৰেণীক সহায় কৰিবলৈ অসংখ্য কল্যাণমূলক পদক্ষেপ গ্ৰহণ কৰা হৈছে, একে সময়তে নিপীড়ন আৰু অৰ্থনৈতিক বৈষম্যৰ দৰে জটিল বিষয়সমূহৰ সমাধানৰ প্ৰচেষ্টা লোৱা হৈছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত মূল পদক্ষেপসমূহৰ ভিতৰত আছে মেধাৱী অনুসূচিত জাতি উদগনি আৰু অবিচি ছাত্ৰ-ছাত্ৰীৰ বাবে ২.৫ লাখতকৈ কম উপাৰ্জনৰ পৰিয়ালৰ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে অনুসূচিত জাতি ছাত্ৰ-ছাত্ৰীৰ বাবে জলপানি আৰু ৫ লাখতকৈ কম উপাৰ্জনৰ পৰিয়ালৰ ইউপিএছচিৰ প্ৰাৰম্ভিক পৰীক্ষাত যোগ্যতা অৰ্জন কৰা অনুসূচিত জাতি আৰু অবিচি ছাত্ৰ-ছাত্ৰীৰ বাবে সাহায্য। উপাৰ্জন বৃদ্ধিৰ বাবে ১৬৮টা গ্ৰাফিক ডিজাইন ইউনিট, ১০০০ চিলাই

মেচিন, আৰু ৩২ খন পিক-আপ ভ্যান অনুসূচিত জাতি নিবনুৱা যুৱক-যুৱতী, অনুসূচিত জাতিৰ মহিলা আৰু পূৰ্বতে চাফাই কৰ্মৰ সৈতে নিয়োজিত যুৱক-যুৱতীসকলৰ মাজত বিতৰণ কৰা হৈছে।

- বিভিন্ন সম্প্ৰদায়ৰ বাবে আৰ্থ-সামাজিক, শৈক্ষিক, সাংস্কৃতিক, আৰু নৃতাত্বিক বিকাশৰ বাবে চৰকাৰে ২৪খন উন্নয়ন পৰিষদ গঠন কৰিছে। এই পৰিষদসমূহৰ বাবে নিৰ্ধাৰণ কৰা ধনৰাশি তেওঁলোকৰ লক্ষ্যত উপনীত হ'বলৈ ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰা হয়।
- বিশেষভাৱে সক্ষম ব্যক্তিসকলক দক্ষতাভিত্তিক প্ৰশিক্ষণ প্ৰদান কৰি থকা হৈছে তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ বাবে প্ৰায় ৩ কোটি টকা আবন্টন দিয়া হৈছে। চিকিৎসা, কাৰিকৰী, আৰু উচ্চ শিক্ষাৰ পাঠ্যক্ৰম গ্ৰহণ কৰা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক জলপানি প্ৰদান কৰা হৈছে। মানসিক ৰোগী আৰু দিব্যাংগৰ বাবে থকা ৪৬টা আৱাসৰ বাবে সাহায্য অনুদান আগবঢ়োৱা হৈছে।লগতে ৩খন চৰকাৰী বিশেষ বিদ্যালয় আৰু বিভিন্ন অক্ষম ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ বিদ্যালয় চলোৱা ১৯টা স্বেচ্ছাসেৱী সংস্থালৈ অনুদান-সাহায্য প্ৰদান কৰা হৈছে। চৰকাৰী ব্ৰেইলী প্ৰেছে সমগ্ৰ উত্তৰ-পূবৰ দৃষ্টিশক্তিহীন ছাত্ৰ-ছাত্ৰীক ব্ৰেইলী

পাঠ্যপুথি যোগান ধৰি আছে। আজিলৈকে অসমত ২ লাখৰো অধিক ইউনিক ডিচেবিলিটি পৰিচয়-পত্ৰ প্ৰদান কৰা হৈছে।

- ড্ৰাগছৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ চৰকাৰে কামৰূপ মহানগৰ, বৰপেটা, তিনিচুকীয়া, ডিব্ৰুগড়, শোণিতপুৰ, আৰু গোলাঘাট জিলাৰ ছটা নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰক সহায় আগবঢ়াই আছে। ইয়াৰ উপৰিও জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ আৰু সোণাপুৰৰ চৰকাৰী বৃদ্ধাশ্ৰমে জ্যেষ্ঠ নাগৰিকৰ কল্যাণৰ দিশত কাম কৰি আছে।
- তৃতীয় লিংগৰ বাবে গুৱাহাটীত ১৮ বছৰৰ ওপৰৰ ৪০ জন ব্যক্তি ৰাখিব পৰা আশ্ৰয় গৃহ আৰু দক্ষতা বিকাশ কেন্দ্ৰত টেইলৰিং, বিউটিচিয়ান পাঠ্যক্ৰম, আৰু বহুতো প্ৰশিক্ষণ প্ৰদান কৰা হয়।

## সংস্কৃতি আৰু বিশ্বাস - খিলঞ্জীয়া আৰু জনজাতি

- ৰাজ্যখনে আধুনিক উন্নয়নৰ দিশে আগবাঢ়ি যোৱাৰ সমান্তৰালভাৱে গভীৰভাৱে শিপাই থকা নিজৰ চহকী ঐতিহ্যকো উদযাপন কৰিছে। মই চৰাইদেউ মৈডামৰ বিষয়ে ক'লো। নতুন দিল্লীত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশনত ইয়াক উত্তৰ-পূব

ভাৰতৰ প্ৰথমটো সাংস্কৃতিক বিশ্ব ঐতিহ্য আৰু দেশৰ ৪৩ সংখ্যক ঐতিহ্য ক্ষেত্ৰ হিচাপে সন্মানীয় স্বীকৃতি প্ৰদান কৰা হৈছে।

- তদুপৰি শোণিতপুৰ জিলাৰ গুপ্তেশ্বৰ দেৱালয় প্ৰত্নতাত্ত্বিক স্থানৰ খনন কাৰ্যত প্ৰাক্ আহোম যুগৰ ভগ্নাৱশেষ উদ্ধাৰ হৈছে যিয়ে অসমৰ ঐতিহাসিক অধ্যায়ক সমৃদ্ধ কৰিছে। চৰকাৰে সংগ্ৰহালয়ৰ নেটৱৰ্ক সম্প্ৰসাৰিত কৰি আছে। মাজুলীৰ দক্ষিণপাট সত্ৰ আৰু দৰঙৰ পথৰুঘাট স্মাৰক সংগ্ৰহালয়ৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। ইয়াৰ উপৰি বৰপেটা জিলা সংগ্ৰহালয়ৰ স্থানৰ উন্নয়নৰ কাম আগবাঢ়িছে আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত ইয়াৰ বিল্ডিং নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। যোৰহাটৰ স্বৰ্গদেউ চাওলুং চ্যু-কা-ফা সমন্বয় ক্ষেত্ৰত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ দ্বিতীয় চৌহদৰ নিৰ্মাণৰ কাম চলি আছে আৰু ২০২৫ চনৰ আৰম্ভণিতে মুকলি হোৱাৰ আশা কৰা হৈছে।
- সন্মানীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসমে নিজৰ সাংস্কৃতিক বৈভৱৰ সংৰক্ষণ আৰু উৎকৰ্ষ সাধনত বিশেষ অগ্ৰগতি লাভ কৰিছে। ২০২৪-২৫ বৰ্ষৰ সময়ছোৱাত ২,৩০০ খন বিহু উদযাপন সমিতিৰ প্ৰত্যেকলৈ ১.৫ লাখ টকা, ২,০৬৩ খন ৰাস সমিতিলৈ ২৫,০০০ টকা আৰু প্ৰায়

৮,০০০ খন দুৰ্গা পূজা সমিতিলৈ ১০,০০০ টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। বীৰ লাচিত বৰফুকনৰ ওপৰত ৫২টা খণ্ডৰ ধাৰাবাহিক নিৰ্মাণৰ বাবে এখন গুৰুত্বপূৰ্ণ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে। অসমৰ চলচ্চিত্ৰ প্ৰতিভাৰ প্ৰদৰ্শনেৰে গোৱাত আয়োজিত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত Chanchisoa চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়।

- জ্ঞানৰ পৰ্যাপ্ততা বৃদ্ধি কৰিবলৈ পঞ্চায়ত আৰু পৌৰসভাৰ ৱাৰ্ডত ২,৫৯৭টা পুথিভঁৰাল নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে। বিষ্ণুৰাভা দিৱস, মামণি ৰয়ছম গোস্বামী জয়ন্তী উদযাপনৰ দৰে গুৰুত্বপূৰ্ণ সাংস্কৃতিক অনুষ্ঠানে অসমৰ কলাত্মক আৰু সাহিত্যিক ঐতিহ্যক প্ৰতিফলিত কৰিছে।
- মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ জন্মস্থান লখিমপুৰ জিলাৰ নাৰায়ণপুৰত এক সামাজিক-সাংস্কৃতিক আৰু পৰ্যটকৰ আকৰ্ষণীয় কেন্দ্ৰ হিচাপে শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু ২০২৩ বৰ্ষৰ ১০ মে'ত উদ্বোধন কৰা হৈছে। নগাঁও জিলাৰ বটদ্ৰৱা থানক সাংস্কৃতিক আৰু পৰ্যটনৰ থলী হিচাপে উন্নীত কৰাৰ কাম চলাই থকা হৈছে আৰু অতি সোনকালে ই সম্পূৰ্ণ হৈ উঠিব।

- শিৱসাগৰৰ ৰংঘৰৰ সৌন্দৰ্যবৰ্ধন আৰু মা কামাখ্যা মন্দিৰৰ প্ৰৱেশ কৰিড'ৰ প্ৰকল্পৰ কাম এই বছৰ হাতত লোৱা হৈছে আৰু ২০২৬ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। চাহ জনজাতি সম্প্ৰদায়ৰ বাবে ৫০০ থন চাহ বাগিচাত জগন্নাথ সামূহিক আৰু দক্ষতা কেন্দ্ৰ নিৰ্মাণৰ কাম চলি আছে আৰু ২০২৫ চনৰ ডিচেম্বৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।
- লহদৈগড়ত লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে আৰু ২০২৫ চনৰ জুলাই মাহৰ ভিতৰত সংগ্ৰহালয়, প্ৰেক্ষাগৃহ ইত্যাদিৰ বাকী থকা কাম সম্পূৰ্ণ কৰা হ'ব। কামৰূপ জিলাৰ পছৰীয়াৰ ঐতিহাসিক আলাবৈ ৰণক্ষেত্ৰত এখন ১০০ ফুট উচ্চতাৰ হেংদাং নিৰ্মাণৰ প্ৰকল্প চলি আছে আৰু ২০২৫ চনৰ ভিতৰত ইয়াক সম্পূৰ্ণ কৰা হ'ব।
- সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ পদক্ষেপ হিচাপে কৰিমগঞ্জ জিলা আৰু চহৰক শ্ৰীভূমি জিলা আৰু শ্ৰীভূমি চহৰ হিচাপে পুনৰ নামকৰণ কৰা হৈছে। তদুপৰি হোজাই জিলাৰ সদৰক শ্ৰীমন্ত শংকৰদেৱ নগৰ হিচাপে পুনৰ নামকৰণ কৰা হৈছে।

## ক্ৰীড়া আৰু যুৱকল্যাণ খণ্ড

- ক্ৰীড়া খণ্ডত বহুসংখ্যক পদক্ষেপ গ্ৰহণৰ দ্বাৰা সমগ্ৰ ৰাজ্যজুৰি ক্ৰীড়া সংস্কৃতি আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে থকা মোৰ চৰকাৰৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰিছে। তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাক চিনাক্তকৰণৰ উদ্দেশ্যৰে আৰম্ভ কৰা খেল মহাৰণ হ'ল ৰাজ্য চৰকাৰৰ এক উল্লেখযোগ্য পদক্ষেপ। ইয়াক ২০২৩ বৰ্ষৰ নৱেম্বৰত আৰম্ভ কৰা হৈছিল আৰু ২০২৪ চনৰ ফেব্ৰুৱাৰীত সমাপ্ত কৰা হৈছিল।
- ২,৮৪৫ খন গাঁও পঞ্চায়ত, নগৰীয় স্থানীয় নিকায়, এম এ চি আৰু ভি চি ডি চিত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈ তৃণমূল পৰ্যায়ৰ ক্ৰীড়াৰ উৎকৰ্ষ সাধন হৈছে। প্ৰায় ৫৩ লাখ জনসাধাৰণে এই ক্ৰীড়াত পঞ্জীয়ন কৰি প্ৰায় ৩১ লাখে অংশগ্ৰহণ কৰিছিল। আওঁহতীয়া অঞ্চলকে ধৰি ব্যাপক জনসাধাৰণৰ অংশগ্ৰহণেৰে ৩,০০০ খনতকৈও অধিক খেলপথাৰৰ উন্নয়ন কৰা হৈছিল। প্ৰায় ১.৪ লাখ খেলুৱৈক চিনাক্তকৰণ কৰা হৈছিল আৰু ৬১২ গৰাকীক উন্নত প্ৰশিক্ষণৰ বাবে তালিকাভুক্ত কৰা হৈছিল। প্ৰসিদ্ধ প্ৰশিক্ষকৰ দ্বাৰা গুৱাহাটীত আয়োজিত তিনি সপ্তাহৰ আৱাসিক প্ৰশিক্ষণত এই খেলুৱৈসকলে অংশগ্ৰহণ কৰিছিল। ইয়াৰ

ফলশ্ৰুতিত বাইচুং ভুটিয়া ফুটবল একাডেমী আৰু ৰাষ্ট্ৰীয় বিদ্যালয় গেমছৰ দৰে অগ্ৰণী ৰাষ্ট্ৰীয় মঞ্চলৈ নিৰ্বাচিত হোৱাৰ দিশত অগ্ৰসৰ হৈছিল।

- আন্তঃগাঁথনিৰ প্ৰত্যাহ্বান মোকাবিলা কৰাৰ বাবে প্ৰতিটো বিধানসভা সমষ্টিতে নিৰ্দিষ্ট যুৱ ক্লাব স্থাপন কৰা হৈছে আৰু প্ৰত্যেকলৈ ১৫ লাখ টকাৰ সাহায্য আগবঢ়োৱা হৈছে। ইয়াৰে প্ৰাৰম্ভিকভাৱে ৫৭টা ক্লাবলৈ ৫ লাখ টকা প্ৰদান কৰা হৈছে। ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত ৫৬টা পদকেৰে অসমে চমকপ্ৰদ প্ৰদৰ্শন দেখুৱাইছিল। পদকপ্ৰাপ্তসকলক চাকৰি আৰু উদগণি দিয়া হৈছে। অসমে চতুৰ্থ খেল' ইণ্ডিয়া ইউনিভাৰচিটি গেমছ আয়োজন কৰিছিল আৰু দুটা উচ্চ পাৰদৰ্শী কেন্দ্ৰ স্থাপন কৰিছিল। খেল মহাৰণ ২.০ আৰু ৩.০ প্ৰস্তুতিপৰ্ব চলি আছে আৰু ইয়াৰ বাবে ৫৫ কোটি টকাতকৈও অধিক বাজেট ব্যৱস্থাপনা কৰা হৈছে।
- গুৱাহাটীৰ আমিনগাঁৱত ২০,০০০ আসনযুক্ত ক্ৰিকেট ষ্টেডিয়ামৰ নিৰ্মাণে অগ্ৰগতি লাভ কৰিছে আৰু ২০২৬ চনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। অতিৰিক্তভাৱে জিলা সদৰসমূহত ১১ খন জিলা ষ্টেডিয়াম আৰু বিভিন্ন বিধানসভা সমষ্টিত ৪১ খন মিনি ষ্টেডিয়াম নিৰ্মাণৰ কাম চলি আছে। নাগশংকৰ,

চামতা, ঘাহিগাঁও আৰু সৰভোগত ৪ খন ক্ষুদ্ৰৰ পৰা মজলীয়া ক্ৰীড়া আন্তগাঁথনি উন্নয়নৰ কাম চলি আছে। উত্তৰ-পূব পৰিষদৰ অধীনত বি টি এ ডিৰ কোকৰাঝাৰত এখন অত্যাধুনিক ক্ৰীড়া ষ্টেডিয়াম নিৰ্মাণৰ কাম চলি থকাৰ উপৰি বঙাইগাঁৱত চিলাৰায় জিলা ষ্টেডিয়াম আৰু কামৰূপৰ আমিনগাঁৱত ক্ৰীড়া চৌহদত ১০০ খন বিছনাযুক্ত ক্ৰীড়া হোষ্টেলৰ কাম চলি আছে।

- অন্যান্য মুখ্য পদক্ষেপসমূহৰ ভিতৰত আছে খনিকৰৰ বহুমুখী ক্ৰীড়া প্ৰকল্পৰ আসনৰ সংখ্যা ৫,০০০ পৰা ১৫,০০০ লৈ বৃদ্ধি, ডিমা হাছাও জিলাৰ মাউলহুইত এখন মিনি ষ্টেডিয়াম, নাহৰকটীয়াত এখন হকী ষ্টেডিয়াম, শিলচৰৰ শিলডুবিত এটা জিলা প্ৰকল্প, ওদালগুৰিত এখন ষ্টেডিয়াম আৰু তিনিচুকীয়াত বিভিন্ন ক্ৰীড়া প্ৰকল্প নিৰ্মাণ।

**অসম আন্দোলনৰ শ্বহীদসকললৈ সন্মান আৰু অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণ**

- গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণৰত শ্বহীদ স্মাৰক ক্ষেত্ৰত অচিৰে সম্পূৰ্ণ হ'ব। অসম আন্দোলনৰ

শ্বহীদসকললৈ উপযুক্ত শ্ৰদ্ধাঞ্জলি নিবেদনৰ বাবে ইয়াক উন্নয়ন কৰি থকা হৈছে।

- অসম আন্দোলনৰ ভুক্তভোগী কল্যাণ ন্যাসৰ জৰিয়তে ভুক্তভোগী পৰিয়ালসমূহলৈ শিক্ষা, চিকিৎসা আৰু নিয়োগত সহায় আগবঢ়োৱাৰ পদক্ষেপসমূহৰ জৰিয়তে অসম আন্দোলনক অবিৰতভাৱে সন্মান জনোৱা হৈছে।
- ৰাজ্য চৰকাৰৰ ক্ষমতাৰ অধীনত থকা ন্যায়াধীশ বিপ্লৱ শৰ্মা কমিটীৰ সকলো অনুমোদনাৱলী ৰূপায়ণৰ বাবে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। লখিমপুৰত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত প্ৰতিটো অনুমোদনৰ আলোচনা কৰা হৈছে আৰু সদৌ অসম ছাত্ৰ সন্থা আৰু ৰাজ্যখনৰ সংশ্লিষ্ট সকলো পক্ষৰ লগত সহযোগিতাৰে সময় নিৰ্ধাৰিতভাৱে অনুমোদনাৱলীসমূহ ৰূপায়ণৰ সিদ্ধান্ত লোৱা হৈছে।

## ন্যায়পালিকা শক্তিশালীকৰণ আৰু আইন-শৃংখলা বলবৎকৰণ

- উন্নয়নৰ বাবে শান্তি আৰু সুৰক্ষা অত্যন্ত জৰুৰী আৰু অসমে এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। ৰাজ্যৰ আৰক্ষী বাহিনীয়ে নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰিছে আৰু বৃহৎ পৰিমাণৰ অবৈধ

নিচাজাতীয় দ্ৰব্য জব্দ কৰিছে। ২০২৪ চনত এন ডি পি এছ আইনৰ অধীনত প্ৰায় ২,৯০০ টা গোচৰ ৰুজু কৰিছে আৰু ৪,৫০০ গৰাকী ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। বাল্য বিবাহ আৰু দুৰ্নীতিৰ বিৰুদ্ধে চলোৱা অভিযানে চমকপ্ৰদ ফলাফল প্ৰদৰ্শন কৰিছে, তদাৰকী অভিযানৰ জৰিয়তে ৭০ গৰাকী ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে।

- মৈত্ৰী পদক্ষেপৰ জৰিয়তে ১০৩ খন আৰক্ষী থানাৰ আধুনিকীকৰণ কৰা হৈছে আৰু ১৬২ ৰো অধিক প্ৰকল্পৰ কাম চলি আছে। টেম্পাৰ-প্ৰুফ, ব্লক চেইন-বেচড, এভিডেন্স, মেনেজমেণ্ট ছিষ্টেমৰ লেখীয়া উদ্ভাৱনীমূলক পদক্ষেপ অসম আৰক্ষীয়ে আৰম্ভ কৰিছে আৰু আৰক্ষী দক্ষতা উৎকৰ্ষতা সাধনাৰ্থে ড্ৰাগ-ফ্ৰি আছাম, আছাম ক'পৰ লেখীয়া ম'বাইল এপ্লিকেচনৰ কাম আৰম্ভ কৰিছে। দোষী সাব্যস্তকৰণৰ হাৰ উল্লেখনীয়ভাৱে বৃদ্ধি হৈছে। মহিলা-শিশুৰ বিৰুদ্ধে অপৰাধ হ্ৰাস হোৱাৰ উপৰি চাইবাৰ ক্ৰাইমো হ্ৰাস হৈছে। ৩০০ ৰো অধিক নাগৰিক সমিতি গঠনসহ জনসাধাৰণক জড়িতকৰণৰ পদক্ষেপেৰে আৰক্ষী আৰু জনসাধাৰণৰ মাজত সম্পৰ্ক শক্তিশালী কৰা হৈছে।
- অগ্নি আৰু আপাতকালীন সেৱা বিভাগে ৩,৭০০টা অগ্নিকাণ্ডৰ আৰু ১,০০০টা বিশেষ কলৰ প্ৰতি সঁহাৰি

জনাই ২৫০ কোটিতকৈ অধিক টকাৰ সম্পত্তি তথা জীৱন বচাইছে। দুৰ্যোগ প্ৰস্তুতি বৃদ্ধি কৰিবলৈ সমগ্ৰ ৰাজ্যজুৰি মকড্ৰীল আৰু সজাগতাৰ কাৰ্যসূচী লোৱা হৈছে।

- আঞ্চলিক পৰীক্ষাগাৰ আৰু ভ্ৰাম্যমাণ গোটৰ জৰিয়তে ফৰেণছিক সামৰ্থ্যৰ পৰিসৰ বৃদ্ধি কৰা হৈছে। ২০২৪ বৰ্ষত সঞ্চালকালয়ে ৮,৩০০ টা বিষয় লাভ কৰিছে আৰু অপৰাধ অনুসন্ধান আৰু প্ৰশিক্ষণৰ দিশত অবিৰতভাৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে।
- ক্ষিপ্ৰ ন্যায় প্ৰদান হ'ল গণতান্ত্ৰিক ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ। মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয় আৰু জিলা ন্যায়ালয়সমূহত আবেদনৰ ই-ফাইলিং ব্যৱস্থা ইতিমধ্যে আৰম্ভ কৰা হৈছে।
- বিগত বৰ্ষত শিৱসাগৰ, গোলাঘাট আৰু কাছাৰ জিলাত নতুন জিলা আৰু মহকুমা ন্যায়িক আদালত ভৱন উদ্বোধন কৰা হৈছে। তদুপৰি গোৱালপাৰা, তিনিচুকীয়া, গহপুৰ, ধুবুৰী আৰু দৰঙত আদালত চৌহদ আৰু আৱাসিক গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পথত।
- আদালতত গোচৰৰ বিলম্বতা হ্ৰাস আৰু কাৰাগাৰৰ ভিৰ (Congestions) হ্ৰাস কৰাৰ বাবে এইখন চৰকাৰে ১৯৭৩ চনৰ ফৌজদাৰী বিধিৰ ৩২১ ধাৰা

বলবৎকৰণৰ দ্বাৰা কম গুৰুত্বপূৰ্ণ/সৰু গোচৰ উঠাই লোৱাত অনুমোদন জনাইছে। এই পলিচীৰ অধীনত ২০২৪ বৰ্ষৰ মাৰ্চ মাহ পৰ্যন্ত ৮১,০০০ (প্ৰায়) সংখ্যক কম গুৰুত্বপূৰ্ণ/সৰু গোচৰ উঠাই লোৱা হৈছে।

মোৰ চৰকাৰে বিভিন্ন জনসাধাৰণমুখী পদক্ষেপৰ জৰিয়তে দৰিদ্ৰতা নিৰ্মূল, আঞ্চলিক বৈষম্য আৰু লিংগ বৈষম্য নিৰ্মূলৰ বাবে অবিৰতভাৱে প্ৰচেষ্টা চলাই আছে। চৰকাৰখনে অত্যাৱশ্যকীয় সেৱা প্ৰদান, জীৱিকাৰ সুবিধা সৃষ্টি আৰু মৌলিক আন্তগাঁথনি উন্নয়নৰ দিশত অবিৰত অগ্ৰাধিকাৰ প্ৰদান কৰি যাব। এইসমূহৰ ভিতৰত যোগাযোগ ব্যৱস্থা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাপনা, বিদ্যুৎ যোগান, জলসিঞ্চন আৰু অন্যান্য সা-সুবিধা সমূহেৰে কৃষিখণ্ডলৈ সহায় তথা স্বাস্থ্য আৰু শিক্ষাক উন্নীতকৰণৰ লেখীয়া ব্যৱস্থাসমূহ আছে।

**জনসাধাৰণৰ কাষত প্ৰশাসন - প্ৰতিষ্ঠানিক সংস্কাৰ**

- অসমত সন্তুলিত আঞ্চলিক বিকাশ আৰু উন্নয়ন মোৰ চৰকাৰৰ উচ্চ অগ্ৰাধিকাৰৰ বিষয়। প্ৰশাসনক ৰাইজৰ ওচৰ চপাই নিয়াৰ উদ্দেশ্যে আমি ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানীৰ মৰ্যাদা প্ৰদান কৰিছো। ডিব্ৰুগড়ত ইতিমধ্যে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ কাম-কাজ চলি আছে। এই

ব্যৱস্থাই উজনি অসমৰ ৯ খন জিলাক সামৰি লৈছে৷ তদুপৰি ডিব্ৰুগড়ত অসম বিধানসভাৰ নিৰ্বাচিত অধিৱেশনৰ বাবে আন্তঃগাঁথনি উন্নয়ন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হ'ব। ইয়াৰ উপৰি বিধায়কৰ নিৱাস, কাৰ্যালয়ৰ স্থান আৰু মন্ত্ৰীৰ বাবে অস্থায়ী আৱাস নিৰ্মাণ কৰা হ'ব যাতে ডিব্ৰুগড়ক উজনি অসমৰ এক প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ জ্যেষ্ঠ বিষয়া আৰু মন্ত্ৰীসকলে এই স্থানত অধিক সময় কটোৱাটো সুনিশ্চিত কৰিব পৰা যায়।

- একেদৰে বৰাক উপত্যকাৰ শাসন ব্যৱস্থা শক্তিশালী কৰিবলৈ আমি অলপতে বৰাক উপত্যকা উন্নয়ন বিভাগ স্থাপন কৰিছোঁ৷ ইয়াৰ ফলত অঞ্চলটোৰ প্ৰয়োজনসমূহ পূৰণ কৰাত সহায়ক হ'ব। ইয়াৰ জৰিয়তে শিলচৰৰ মিনি সচিবালয় পুনৰুজ্জীৱিত কৰি ইয়াক প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ় দিয়াটো নিশ্চিত হ'ব৷ দিছপুৰ সচিবালয়ৰ লগত সংহতকৰণৰ ফলস্বৰূপে মিনি সচিবালয় বৰাক উপত্যকাৰ শাসন ব্যৱস্থাৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হ'ব আৰু ই প্ৰশাসনিক দক্ষতা বৃদ্ধি আৰু সঁহাৰিপূৰ্ণ প্ৰশাসনিক ব্যৱস্থা গঢ়ি তোলাত সহায় কৰিব।

- সম জিলাৰ লগতে এই পদক্ষেপসমূহৰ জৰিয়তে অসমৰ সকলো অঞ্চলে সম গুৰুত্ব আৰু উপযুক্তভাৱে সম্পদ লাভ কৰাটো নিশ্চিত কৰিবলৈ সৰ্বাংগীন বিকাশৰ প্ৰতি আমাৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ প্ৰতীয়মান কৰিছে।

চৰকাৰৰ স্বচ্ছ পদক্ষেপসমূহে আমাক বৰ্তমানৰ সময়ৰ পৰিৱৰ্তিত প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ দিশত দায়বদ্ধ আৰু সঁহাৰিপূৰ্ণ কৰি তুলিছে। ৰাজ্যখনৰ বিকাশ আৰু উন্নয়নৰ এই যাত্ৰাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু অংশীদাৰিত্বই বিকাশৰ যাত্ৰা পথত বিশেষ দিশৰ সূচনা কৰিছে।

'তৈত্তিৰীয় উপনিষদ' (Taittiriya Upanishad) (অধ্যায় এক, পংতি ১১)ৰে মই মোৰ ভাষণৰ সামৰণি মাৰিব বিচাৰিছো -

**"सर्वं हिताय सर्वं सुखाय। सर्वं क्षेमाय सर्वं मंगलाय।"**

**"Sarvaṁ Hitāya Sarvaṁ Sukhāya.
Sarvaṁ Kṣemāya Sarvaṁ Maṅgalāya."**

**অনুবাদঃ** 'সকলোৰে কল্যাণ আৰু সুখৰ বাবে। সকলোবোৰ সকলোৰে বাবে সু-স্বাস্থ্য আৰু মংগলৰ বাবে।'

মই দৃঢ়তাৰে ক'ব বিচাৰিছো যে ৰাজ্যখনৰ সকলো অঞ্চলৰ বিকাশ আৰু সকলো শ্ৰেণীৰ জনসাধাৰণৰ বিকাশৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

মই আলোচনা-বিলোচনাৰ বাবে এই কথা উত্থাপন কৰিলো আৰু আপোনালোকৰ সফলতা বিচাৰিলো।

**জয় আই অসম, জয় হিন্দ।**

*****

২০২৫
অসম চৰকাৰী ছপাশাল, গুৱাহাটী-২১